জীৱন-যাত্ৰা পদ্ধতি এটা প্ৰৱৰ্তন কৰে। আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনত তাৰ শুভ আৰম্ভণি হয়। এই সময়তে অসমীয়া পুৰণি বিৰয়াৰ সাজ-পাৰত সলনি ঘটে। ঢেকিয়াল ফুকন, গঙ্গাগোবিন্দ ফুকন আৰু হেমচন্দ্ৰ বৰুৱা আদিয়ে চাহাবী সাজ-পাৰ পিন্ধিবলৈ লয়। কিন্তু সামাজিক উৎসৱ বা ক্ৰিয়াৰ সময়ত পাগুৰি আদি পৰিধান কৰাৰ ৰীতি প্ৰায় কুৰি শতিকাৰ প্ৰথম দুই দশকমানলৈ চলি আছিল।

এই কালছোৱাত অসমীয়া ভাষাক প্ৰশাসনৰ আৰু শিক্ষাৰ বাহন কৰিবৰ বাবে এটা দীঘলীয়া চেষ্টা পৰিলক্ষিত হয়। ১৮৩৬ চনত বঙালীক শিক্ষাৰ মাধ্যম কৰা বাবে শিক্ষিত অসমীয়াৰ প্ৰতি-নিধিসকলে ইংৰাজ বিষয়াসকলৰ ওচৰত আবেদন নিবেদন কৰিবলৈ লয়। অসমৰ শাসন সম্পৰ্কেও এওঁলোকে ইংৰাজ শাসকসকলৰ ওচৰত আৰ্জি দিয়ে। অসমত স্কুল-কলেজ বৃদ্ধিৰ বাবেও এওঁলোকে মাত মাতে। অসম এছোচিয়েশ্যনৰ জন্ম হয় ১৯০৩(?) চনত। ১৯২০ চনত কংগ্ৰেছৰ লগত লগ লগাৰ আগলৈকে, এই এছোচিয়েশ্যনে অসমৰ শাসন সংস্কাৰত লোৱা ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। ১৯১৩ চনত অসম কাউন্সিল গঠিত হয়। এই কাউন্সিলত যিসকল লোক নিৰ্বাচিত হৈছিল সেইসকলৰ ভিতৰত সৰহ ভাগেই ইংৰাজী চাল-চলন আৰু ভাষাত পাৰ্গত লোক। ১৯১৭ চনত মণ্টেগু চাহাবৰ ওচৰত অসমৰ সদস্যসকলে শাসন-সংস্কাৰৰ আৰ্জি দিছিল।

এই ইংৰাজী চাল-চলনেৰে পৰিপুষ্ট কাউন্সিলৰ লগে লগে নতুন ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ পৰিচায়ক অসম সাহিত্য সভা (১৯১৭) আৰু অসম ছাত্ৰ সন্মিলন (১৯১৬) গঠিত হয়। এই দুয়োটা অনুষ্ঠানে অসমৰ সাংস্কৃতিক জীৱনত এটা নতুন গতিবেগৰ সৃষ্টি কৰে। এনে ধৰণৰ অনুষ্ঠান পূৰ্বতে অসমত নাছিল। সাম্ৰাজ্যবাদী চৰকাৰে নতুন প্ৰশাসন প্ৰৱৰ্তন কৰি মানুহক ৰাজতন্ত্ৰৰপৰা মুক্তি দিয়ে আৰু সামন্তবাদৰ হেঁচাৰপৰা মুকলি কৰি

ব্যক্তিক আত্মপ্ৰকাশৰ আৰু সংগঠনৰ সুবিধা দিয়ে। সাংবিধানিক প্ৰশাসন, স্থানীয় স্বায়ত্ত-শাসন আৰু শিক্ষা প্ৰৱৰ্তনৰ ফলত নতুন অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে এক নতুন ৰাজনীতি সাংস্কৃতিক যুগৰ সূচনা কৰিবলৈ সুযোগ পায়।

অসমত কংগ্ৰেছ গঠিত হয় ১৯২০ চনত। সেই দিন অবধি এই অনুষ্ঠানে ইয়াত অসমৰ পূৰ্বৰ ধ্যান-ধাৰণা আৰু আনুষ্ঠানিক ভেটিৰ ওপৰত জাতীয়তাবাদী চেতনা জগাবলৈ চেষ্টা কৰি আহিছে। এই সময়ছোৱাৰ আটাইতকৈ উল্লেখযোগ্য ঘটনা হ'ল ১৯২১, ১৯৩০ আৰু ১৯৪২ চনৰ গণআন্দোলনসমূহ। এই আন্দোলন সমূহে মধ্যবিত্ত শ্ৰেণীৰ চাহাৰী চাল-চলন আৰু ভাবধাৰাতো নতুন পৰিবৰ্তন আনিলে। খদ্দৰ পিন্ধা আৰু টাকুৰিত সূতা কাটি ফুৰা স্বেচ্ছাসেৱকে গাঁৱে-ভূঁঞে সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে ৰাইজক সজাগ কৰি দিলে আৰু মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা সত্যাগ্ৰহবোৰত যোগদান কৰিবলৈ প্ৰেৰণা দিলে।

জনসাধাৰণৰ লগত মধ্যবিত্ত মনৰ সংযোগ ঘটাত কলা আৰু সাহিত্যতো আত্মানুসন্ধান আৰম্ভ হয়। ইতিমধ্যে সাংবাদিকতাৰ জন্ম হৈ গৈছিল। 'অৰুণোদয়ে' বিবিধ জ্ঞান-বিজ্ঞানৰ খবৰ আমাক দিয়ে। ই অসমীয়া ভাষাৰ প্ৰতি মানুহৰ মাজত প্ৰবল অনুৰাগৰ সৃষ্টি কৰিলে। ভাৰতবৰ্ষৰ বিভিন্ন ভাষিক গোটৰ মাজত প্ৰবল চেতনা অনাৰ দৰে অসমীয়া ভাষাৰ যোগেদি অসমীয়া জাতীয়তাবাদী সকলেও এক প্ৰবল চেতনা আনি দিলে। লক্ষ্মীনাথ বেজবৰুৱাই এই ভাবক তত্ত্বৰ শাৰীলৈ তুলি ক'লে, "ভাষাই জাতীয় উন্নতিৰ সিংহ-দুৱাৰ।"

অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ লগত ভাৰতৰ আন আন মধ্যবিত্ত শ্ৰেণীৰ সংযোগ ঘটিছিল। দুৰ্ভাগ্যবশতঃ অসমীয়া ভাষা আৰু বঙালী ভাষাৰ মাজত এটা প্ৰতিদ্বন্দ্বিতা উপস্থিত হ'ল। ই অসমীয়া জাতীয়তা-বাদী চেতনাক এটা নেতিবাচক ৰূপ দিলে। ভাষিক চেতনাৰ ভিতৰত

এটা জাতীয় গোটৰ সাহিত্য, শিল্প, ৰাণিজ্য, ৰাজনীতি, উদ্যোগ আৰু বাণিজ্য বিকাশৰ আশা-আকাঙ্ক্ষা মূৰ্ত হৈ উঠে। অসমৰ ঔপনিবেশিক অৰ্থনীতিত এই আশা-আকাঙ্ক্ষা পূৰণ হোৱাৰ কোনো সম্ভাৱনা নাছিল। সংবাদপত্ৰ আৰু আলোচনীৰ সংখ্যা কম হ'লেও এইবোৰতেই সাহিত্যৰ যথেষ্ট বিকাশ ঘটিল। চিত্ৰকলা, নৃত্য, সঙ্গীত, ৰঙ্গমঞ্চ—এইবোৰৰ ভিতৰত প্ৰথম স্থান দিব লাগিব ৰঙ্গমঞ্চক; তাৰ পিছতে সঙ্গীতক। নৃত্য আৰু চিত্ৰকলাৰ স্থান শেষত। বিভিন্ন নগৰত ৰঙ্গমঞ্চবোৰ গঢ়ি উঠা বাবে তাত নাটক অভিনীত হোৱাৰ সুযোগ ওলাইছিল। কিন্তু অসমত কোনেও ক'তো স্থায়ী ৰঙ্গমঞ্চ (প্ৰফেশ্যনেল ষ্টেজ) গঢ়ি তুলিব নোৱাৰিলে। ৰঙ্গমঞ্চ আৰু সাংস্কৃতিক অধিবেশনবোৰৰ গাতে ভেজা দি আধুনিক সঙ্গীতৰ সৃষ্টি হ'ল, কিন্তু মধ্যযুগৰ লোক-সংস্কৃতি আৰু শাস্ত্ৰীয় সঙ্গীতৰ ধাৰাটো ব্যাপকভাৱে পুনৰ জাগৰিত নহ'ল। লক্ষ্মীৰাম বৰুৱাই শাস্ত্ৰীয় সঙ্গীতত আৰু কীৰ্তি বৰদলৈ, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, পাৰ্বতী প্ৰসাদ আদিয়ে আধুনিক অসমীয়া সঙ্গীত বিকাশত যথেষ্ট বৰঙণি যোগালে। কিন্তু প্ৰয়োজনৰ তুলনাত ই বহুত কম। নৃত্য কলাৰ ক্ষেত্ৰত ত্ৰিশ দশকৰ কামৰূপী নৃত্য সংঘৰ বৰঙণি উল্লেখযোগ্য। কিন্তু এই সংগঠন বেছিদিন তিষ্ঠি নৰ'ল। চিত্ৰ-কলাৰ ক্ষেত্ৰত কলিকতা আৰ্ট স্কুল আৰু লাহোৰ আৰ্ট স্কুলৰ ছাত্ৰ দুই-এজনে আধুনিক চিত্ৰাঙ্কনৰ আৰম্ভণি কৰিছিল। তদুপৰি যথেষ্ট সংখ্যক শিল্পীয়ে স্বতন্ত্ৰভাৱে ছবি আঁকিছিল। কিন্তু এইবিলাকৰ কাম ছেগা চোৰোকা হৈয়েই ৰ'ল। স্বাধীনতাৰ আগলৈকে এইবিলাক কলাৰ পৃষ্ঠপোষকতাৰ অভাৱ ঘটিছিল। কিন্তু স্বাধীনতাৰ পিছতো এইবিলাক ক্ষেত্ৰত অন্তৰ্দৃষ্টিপূৰ্ণ আৰু পৰ্যাপ্ত পৃষ্ঠপোষকতাৰ অভাৱ ঘটিছে। তথাপি ক'ব লাগিব সঙ্গীত, চিত্ৰ-কলা আৰু নৃত্যৰ শিক্ষাৰ কিছু প্ৰসাৰ ঘটিছে।

বাণিজ্যৰ ক্ষেত্ৰত মাণিকচন্দ্ৰ বৰুৱা, ভোলানাথ বৰুৱা আৰু

লক্ষ্মীনাথ বেজবৰুৱাই কৰা কাঠৰ কাৰবাৰ দুপতীয়াতে নষ্ট হ'ল। চাহৰ উদ্যোগৰ কনিষ্ঠ অংশীদাৰ হিচাপে কিছুমান অসমীয়া লোক পোহৰলৈ আহিছিল। কিন্তু বাণিজ্য আৰু উদ্যোগৰ ক্ষেত্ৰত অসমীয়া মধ্যবিত্তৰ আশা-আকাঙ্খা আজিও অপূৰণ হৈয়েই আছে।

ৰাজনীতিৰ ক্ষেত্ৰত সাংবিধানিক গণতন্ত্ৰৰ বিকাশেই ঘাই। ১৯২০ চন অবধি অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে এখন ভাষিক ৰাজ্য লাভৰ বাবে আশা কৰি আহিছে। এই আশাৰ লগত সংখ্যা-লঘুসকলৰ দাবীৰ সংঘৰ্ষ ঘটাত মাজে মাজে ই অশান্তিৰো সূচনা কৰিছে। নেতিবাচকতা থাকিলেও এই আশাৰ প্ৰতি ইতিহাসৰ সমৰ্থন আছে।

পৰ্বতীয়া জাতিবোৰৰ মাজতো খ্ৰীষ্টান ধৰ্ম, যোগাযোগ ব্যৱস্থা ন প্ৰশাসন আৰু সংস্কৃতিৰ প্ৰভাৱ লক্ষ্য কৰিবলগীয়া। ১৬ টা নগা উপজাতিৰ ভিতৰত সৰহ ভাগৰে আজি লিপি আৰু ধৰ্মগ্ৰন্থ আছে। ঠাই বিশেষে এওঁলোকৰ মাজত স্বাক্ষৰতাৰ সংখ্যাও অসমতকৈ অধিক। পশ্চিমীয়া ধৰ্মগীত আৰু সঙ্গীতৰ প্ৰভাৱো জনজাতি সমাজবোৰত যথেষ্ট। বৃটিছ অহাৰ আগতে এওঁলোকৰ ক'তো গিৰ্জা নাছিল। কিন্তু আজি পৰ্বতীয়া অঞ্চলবোৰত গিৰ্জাৰে প্ৰভাৱ যথেষ্ট। এই ধৰ্মই নগাসকলৰ মাজত অনা জাতীয় চেতনাৰ কথা বিশেষভাৱে মন কৰিবলগীয়া। পুৰণি শিলপূজাৰ মাজত এনে শক্তি নাছিল।

এই জনজাতিবোৰৰ নেতাসকল চাল-চলনত পশ্চিমীয়া হয় আৰু বহুদিন অসম তথা ভাৰতৰপৰা প্ৰশাসনীয়ভাৱে বিচ্ছিন্ন হৈ থকা বাবে এওঁলোকৰ মাজৰ জাতীয় চেতনা বেলেগ ধৰণে বিকাশিত হয়। এওঁলোকৰ মাজত 'বেচীয়' চেতনাও দেখা যায়। এওঁলোক হিন্দুধৰ্মৰ জাত-প্ৰথাৰ সমালোচক আৰু খ্ৰীষ্টীয় ধৰ্মৰ উদাৰতাৰ প্ৰশংসাত মুখৰ। বৃটিছ শাসন যোৱাৰ পাছত এওঁ-লোকে ভাৰতীয় জাতীয়তাবাদ গ্ৰহণ কৰিবলৈ লৈছে, কিন্তু নিজৰ

সাংস্কৃতিক বৈশিষ্ট সংৰক্ষণ কৰিবলৈ তেওঁলোক বদ্ধপৰিকৰ। নগালেণ্ডৰ নগা উপজাতিবোৰে তেওঁলোকৰ মাজত কথা-বতৰা পাতিবলৈ নগা অসমীয়া ব্যৱহাৰ কৰে। কিন্তু অসমীয়া ভাষাক ৰাজ্যিক ভাষা কৰাতকৈ তেওঁলোকে ইংৰাজী ভাষাহে পছন্দ কৰে।

যোৱা এশ বছৰৰ সাংস্কৃতিক সলনিৰ প্ৰৱাহটিক এটা শব্দত বুজোৱা টান। খেনোৱে ইয়াক পশ্চিমীয়াকৰণ বোলে। এই শব্দই ভৈয়ামৰ আৰু পৰ্বতৰ শিক্ষিত আৰু মধ্যবিত্ত শ্ৰেণীটোৰ পোছাক, ঘৰ, চাল-চলন, ভাব, কলা-সাহিত্য আৰু ধৰ্মত হোৱা সলনিবোৰৰ ইঙ্গিত দিয়ে।

যজ্ঞৰাম খাৰঘৰীয়া ফুকন এজন উল্লেখযোগ্য লোক আছিল। তেওঁৰ মাজত পুৰণি আৰু নতুনৰ সংমিশ্ৰণ ঘটিছিল। তেওঁ অসমৰ শেষ ৰজা পুৰন্দৰ সিংহৰপৰা এহেজাৰ টকা ওলগ দি খাৰঘৰীয়া ফুকন উপাধি পাইছিল। যোৰহাটত তেওঁৰ বিৰাট তোল আছিল। আনহাতে তেওঁৰ ঘৰ য়ুৰোপীয় ধৰণে সুসজ্জিত কৰিছিল। শুনা মতে তেওঁৰ ঘৰত ইটালীয় মেহোগনি কাঠৰ মনোহৰ চেলাৰ আছিল আৰু য়ুৰোপীয় বিষয়াসকলৰ লগত বহি সুন্দৰভাৱে সুৰাপান আৰু আহাৰ কৰিছিল। তেওঁৰ সাজ-পাৰো য়ুৰোপীয় আছিল। বেণুধৰ শৰ্মাই এই লেখকক কোৱা মতে খাৰঘৰীয়া ফুকন ডিৰেজি'ৰ ইয়ং বেঙ্গল আন্দোলনৰ দ্বাৰাও প্ৰভাৱান্বিত হৈছিল।

কিন্তু য়ুৰোপীয় প্ৰভাৱে জাতিৰ অন্তৰ জগতৰো সলনি কৰিছিল। কমলা কান্ত ভট্টাচাৰ্যৰ মনত সমাজ সংস্কাৰৰ প্ৰেৰণা আছিল। তেওঁ বিশ্বনাথৰ গোড়া ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিলেও এবাৰ কলিকতাৰপৰা অহাৰ পিছত তেওঁক খোৱা-বোৱাৰ সংস্কাৰ ভঙাৰ দোষত সমাজে প্ৰায়চিত্ত হ'বলৈ কোৱাত তেওঁ মৰ্মান্তিক বেদনা অনুভৱ কৰিলে। তেওঁ যুক্তিধৰ্মৰ প্ৰেৰণাত

ব্ৰাহ্মণ্যধৰ্ম এৰি ব্ৰাহ্মধৰ্মত দীক্ষিত হয় আৰু উদাৰচিত্তে যোৰহাটৰ বৰিগাঁৱৰ এগৰাকী ব্ৰাহ্মণ বিধৱা বিয়া কৰায়। এই নতুন বিদ্ৰোহৰ ভাব তেওঁ 'চিন্তানল' গ্ৰন্থত প্ৰকাশ কৰে।

ব্ৰাহ্মধৰ্ম দকৈ নিশিপালেও অসমৰ কিছু লোক এই ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। অমিয় কুমাৰ দাসৰ জন্মও এটি ব্ৰাহ্ম পৰিয়ালতে। তেখেতৰ সহকৰ্মী ত্যাগবীৰ হেম চন্দ্ৰ বৰুৱায়ো পৰম্পৰাগত ব্ৰাহ্মণ্য সংস্কাৰত বিশ্বাস হেৰুৱাইছিল। তৰুণৰাম ফুকন আৰু চন্দ্ৰনাথ শৰ্মা এওঁলোকে বাল্যবিবাহৰ বিৰুদ্ধে সমাজত এটা আন্দোলন কৰিছিল।

বৃটিছসকল অহাৰ পিছত অসমত ঘৰ-দুৱাৰৰ নিৰ্মাণ প্ৰণালীৰো পৰিৱৰ্তন ঘটিল। চাং-বঙলা, 'আসাম টাইপ'ঘৰ দীঘলীয়া বহুত কোঠাযুক্ত চাৰিচলীয়া স্কুল কাচাৰী, প্ৰশস্ত বাৰাণ্ডা, সমুখলৈ ওলোৱা দুৱাৰমুখ, এইবিলাক বৃটিছৰ দিনত হোৱা পৰিৱৰ্তনৰ ফল। চ'ৰাঘৰ, মাৰলঘৰ, বৰঘৰ, গোসাঁই ঘৰ, ঢেঁকীঘৰ, পাক-ঘৰ, ভঁৰাল আৰু গোহালি ঘৰৰ দ্বাৰা সুশোভিত অতীতৰ অসমীয়া ঘৰবোৰৰ আহি এই নতুন যুগত নামমাত্ৰ ৰ'ল। চিমেণ্ট, টিন, লো আদিৰ ব্যৱহাৰ এই যুগৰ নিৰ্মাণৰ বৈশিষ্ট্য

# তৃতীয় অধ্যায়

## ধৰ্ম

ধৰ্ম যোৱা শতিকাৰ শ্ৰেষ্ঠ অসমীয়াসকলৰ চিন্তাৰ ঘাই অঙ্গ আছিল। একমাত্ৰ হেমচন্দ্ৰ বৰুৱাই নিজকে অনীশ্বৰবাদী বুলি কৈছিল আৰু তাল, মালা, ফোঁট, হোমৰ ছাই এইবোৰক বাহিৰৰ বস্তু আৰু সেইবোৰত পতিয়ন নাই বুলি ঘোষণা কৰিছিল। হেমচন্দ্ৰ বৰুৱাৰ এই অনীশ্বৰবাদৰ অনুসৰণকাৰী বিচাৰিবলৈ হ'লে আমি বৰ্তমান সময়লৈ ভুমুকি মাৰিব লাগিব।

বাকীবিলাক গুণী-জ্ঞানী অসমীয়াই ঈশ্বৰ আৰু ধৰ্মক সংস্কৃত ৰূপত গ্ৰহণ কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে ধৰ্মানুষ্ঠানবোৰ মানি চলিছিল, কিন্তু আন ধৰ্ম মতক শ্ৰদ্ধা কৰিছিল। তেওঁৰ মতে পৰমেশ্বৰ এক।

পদ্মনাথ গোহাঞিবৰুৱাই লেখিছিল, "পৰিৱৰ্তনশীল জগতত নতুনকৈ উঠি অহা আৰু সভ্যতাৰ খোপত আগবাঢ়ি উঠা জাতিৰ লগত উধাবলৈ হ'লে পুৰণি ৰীতি-নীতিৰ মামৰ গুচাই তাক সংস্কাৰ কৰিব লাগিব। খ্ৰীষ্ট ধৰ্মত এই সংস্কাৰ সধা হৈ গৈছে, হিন্দু আৰু মুছলমান ধৰ্মতহে সি এতিয়াও হ'বলৈ বাকী ৰৈছে।" (১৯১৭)। তেওঁৰ মতে বেদ আৰু কোৰাণ আদি জনসাধাৰণৰ ভাষাত ভাঙি উলিয়ালেই পূজা-সেৱা, যাগ-যজ্ঞ আৰু বিয়া-শ্ৰাদ্ধ ইত্যাদিত চলা অজ্ঞানতাৰ প্ৰভুত্ব কমিব। তেওঁৰ মতে, "অপৈণত পূজাৰী, ধৰ্মযাজক আৰু পুৰোহিতৰ অশুদ্ধ আৰু অস্পষ্ট উচ্চাৰণৰ প্ৰতিধ্বনি শুনি কণাই লাখুটি ধৰি বাট বুলাৰ দৰে অসমীয়া জনসাধাৰণ ধৰ্মৰ বাটত আগবাঢ়িছে।" তেওঁৰ মতে ইয়াৰ কাৰণেই জনসাধাৰণে গভীৰ আধ্যাত্মিক উপলব্ধি লাভ কৰিব নোৱাৰে। ইয়াৰ ফলত সমাজৰ অধোগতি আৰু জাতীয় জীৱনৰ অৱনতি ঘটিছে।

মফিজুদ্দিন আহমদ হাজৰিকাই ধৰ্মৰ অৱনতিৰ কথা বৰ্ণাবলৈ গৈ কণা মানুহে হাতী চোৱাৰ উদাহৰণটি দিছিল ; হাতীৰ আকৃতিৰ কথালৈ কণাসকলৰ মাজত বাদ-বিবাদ হ'ল। শেহত নিঘুণী চকুৱা এজনে আহি হাতীটো চাই তাৰ হুবহু বৰ্ণনা দিলতহে সেই বিবাদৰ অন্ত পৰিল। তেখেতে লেখিছিল, "ধৰ্মৰ 'ধ' টোকে নেজানো অথচ তাক লৈয়ে বিবাদ। দিনে-ৰাতিয়ে মাথোন ধনৰ পূজা কৰিয়েই তত্ নাই। থৰ-কাছুটি এৰি মাথোন পেট-পূজাৰ ব্যৱস্থা কৰি ফুৰোঁতেই বিচেষ্টা আৰু বিতত এনে স্থলত ধৰ্ম লৈ কিহৰ মনোবাদ ? মহাধৰ্ম একেটাই। দেশ-কাল পাত্ৰভেদে তাক বেলেগ গঢ়েৰে দেখা যায়। যেনেকৈ বন্তি এগছি—ৰঙা, বগা, সেউজীয়া, হালধীয়া বিতচকু লগাই চালে বেলেগ বেলেগ ধৰণৰ দেখি, সাইলাখ সেইদৰে বেলেগ বেলেগ ভাবৰ, বেলেগ বেলেগ সম্প্ৰদায়ৰ মানুহবিলাকেও যি যেনে সমাজত ডাঙৰ হৈছে, যি যেনে কথাবিলাক উপৰিপুৰুষৰপৰা শুনি আহিছে, ঠিক তেনে সংস্কাৰ, তেনে জ্ঞানৰ ভেটিৰ ওপৰতে নিজৰো মনৰ ভাব মিলাই নিজ নিজ অন্তৰত ধৰ্মৰ ৰূপ একোটি গঢ়ি গঢ়ি থিয় কৰি থৈছে। ধৰ্মৰ সেই ৰূপটিৰ লগত অলপ অমিল হ'লেই কিবা কিবা কেনেবা কেনেবা বিজাতীয় ভাব স্বভাৱতে সকলোৰে মনত উদয় হয়। ইয়াৰপৰাই মানুহৰ মনত আচহুৱা আৰু অমিল ভাবৰ সৃষ্টি। কিন্তু সি একো কথা নহয়। মুকুতা সদায় মুকুতা, সি শোকোতা হ'ব নোৱাৰে। গোবৰৰপৰা উলিয়াওক বা জাবৰৰ পৰাই উলিয়াওক, মুকুতা সদায় মুকুতা। সেই মুকুতা হিন্দুৰ মানত যেনে বহুমূলীয়া মুছলমানৰ মানতো তেনে আপুৰুগীয়া। এইখিনিতে আমি ভাই ভাই বুলি হাত মিলাব পাৰোঁহক—ভাই ভাই বুলি আঁকোৱালি ধৰিব পাৰোঁহক। জ্ঞান অনন্ত। জ্ঞানৰ দৰে পবিত্ৰ বস্তু একো নাই। জ্ঞান বিবৰ্জিত ধৰ্ম ধৰ্মই নহয়।" (১৯২৯)

কমলা কান্ত ভট্টাচাৰ্যই লেখিছিল, "ধৰ্মৰ সংস্কাৰ নহ'লে

সাহিত্যৰ সংস্কাৰ হ'ব নোৱাৰে। ...ধৰ্ম-সংস্কাৰ কৰিব খুজিলে বিশ্বধৰ্মৰ মাজেদি যাব লাগিব। ...সাহিত্যৰ উন্নতি কৰিবলৈ হ'লে ধৰ্মৰ উন্নতি কৰিব লাগিব। মই এনে অবান্তৰ প্ৰস্তা কৰা নাই যে চাৰি জাতি, চাৰি আশ্ৰম, হিন্দু-মুছলমান, খ্ৰীষ্টান আদি পাৰ্থক্য ভাব দূৰ কৰি দি আজি এক হৈ পৰোঁ। হ'ব গৰা হ'লে কেনে ভাল আছিল! হুমুনিয়াহ কাঢ়ি সেই কথা এৰি দি ধৰি ল'লোঁহেঁতেন যে বৰ্তমান অৱস্থাত তেনেকুৱা হ'বলৈ বহুত সময় সাপেক্ষ। টনা-আজোৰা কৰাও যুক্তিসঙ্গত নহয়। কেতিয়াবা হিতে বিপৰীত হৈ পৰে। এনে অৱস্থাত যেয়ে য'তে যি অৱস্থাত আছোঁ, যি ধৰ্মত জন্ম গ্ৰহণ কৰিছোঁ, সেই ধৰ্মৰে উন্নতি-পথত খোজ লবলৈ আৰম্ভ কৰিলে, আমি গৈ সেই বিশ্ব-ধৰ্মত ওলাব পাৰিমগৈ। তেতিয়া মিলিব পাৰিম। সামাজিক হিচাপে পাৰে নে নোৱাৰে ক'ব নোৱাৰো, (হোৱাহেঁতেন কি স্বৰ্গপুৰী হ'লহেঁতেন!) কিন্তু ভাবৰ ৰাজ্যত হ'বলৈ একো টান নহয়। সেই বিশ্বধৰ্মৰ যোগেদি যি সাহিত্য সৃষ্টি কৰিম, সেই সাহিত্য হ'ব মিলনৰ সাহিত্য। তাত বাদ-বিসম্বাদৰ থল নেথাকিব। বৰ্তমান ভাৰতৰ সমস্যাত ইয়াৰ বাহিৰে অন্য উপায় নাই। অন্ততঃ এই নিঃকিন বুঢ়াই অন্য উপায় নেদেখে। ধৰ্মগত বিদ্বেষ, জাতিগত বিদ্বেষ, দূৰ কৰি প্ৰাণে ঐক্যভাৱ জাগ্ৰত নকৰিলে ধৰ্ম, অৰ্থ, কাম, মোক্ষ একোৰেই সিদ্ধি নহ'ব। সাহিত্যৰ উন্নতি দূৰৈৰ কথা।" (১৯২৯)

এই প্ৰসঙ্গত ইংৰাজী শিক্ষিত অসমীয়াসকলৰ আৰু এটি কথা বিশেষভাৱে উল্লেখযোগ্য। বেণুধৰ শৰ্মাই গঙ্গাগোবিন্দ ফুকনৰ (১৮৪১-১৯২৬) ধৰ্ম-ভাৱৰ বিষয়ে এইদৰে লেখিছে, "ইংৰাজৰ ৰীতি-নীতি, ইংৰাজৰ অনুৰূপে ভবা-চিন্তা কৰা, ইংৰাজৰ দৰে পৰিপাটিকৈ চাংৰঙলাত থকা, প্ৰাতঃস্নানটোৰ বাহিৰে ইংৰাজৰ দৰেই ঈশ্বৰ চিন্তা কৰা, তেওঁৰ জীৱনৰ ধৰ্ম আছিল। তথাপি, জীৱন-সূৰ্য মাৰ যাবৰ বেলিকা তেওঁৰ হৃদয়ত কোনোৱা এজনে

খুন্দিয়াই দিলেহি যে তেওঁ হিন্দু আৰু ব্ৰাহ্মণ।" ইয়াৰপৰা বুজা যায় সেই সময়ৰ সহৰ ভাগ চিন্তাশীল অসমীয়াই শেহ-বয়সত হ'লেও পৰম্পৰাগতৰ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। কিন্তু কিছুমান প্ৰাচীন সংস্কাৰ তেওঁলোকে গ্ৰহণ কৰা অসম্ভৱ হৈ উঠিল। সেইকাৰণে তেওঁ আনকেইজন লোকৰ লগ লাগি শিৱসাগৰ ব্ৰাহ্মণসভা গঠন কৰিছিল। এই সভাৰ উদ্দেশ্য আছিল—আধুনিক সমাজৰ লগত খাপ খুৱাই শ্ৰুতি-স্মৃতি শাস্ত্ৰবিলাক পৰিবৰ্তন আৰু সংশোধন কৰা। বেণুধৰ শৰ্মাই লেখিছে, "হিন্দু সমাজ-সংস্কাৰ কৰি তাৰ জৰিয়তে সদৌ অসমীয়া সমাজৰ আৱৰ্জনা-বোৰ আঁতৰাবলৈ তেওঁ বহুত কথা পাতিছিল। হিন্দু সমাজৰ একতাৰ অভাৱ আৰু আওকণীয়া ভাবৰ ফলত হিন্দু ধৰ্মৰ মানুহ ফাটি গৈ হিন্দু ধৰ্মৰ পৰিপন্থী আইন ধৰ্মৰ সমাজ কেনেকৈ পৰিপুষ্ট আৰু সংখ্যাৰ গৰিষ্ঠ কৰিছিলগৈ, তাক তেওঁ হাড়ে-হিমজুৱে উপলব্ধি কৰিছিল। 'জাতত তোলা' পুঁজি এটা খুলিবলৈ তেওঁ আঁচনি এখন তৈয়াৰ কৰিছিল। কিন্তু ৰাৱণে স্বৰ্গলৈ বাট কৰিব খুজিও যেনেকৈ কৰিব নোৱাৰিলে দেৱশৰ্মা ফুকনেও পাঙি লোৱা কামবোৰ সময় আৰু সহানুভূতিৰ অভাৱত কৰিব নোৱাৰিলে।"

হিন্দু ধৰ্মৰ জাতিভেদ প্ৰথা দূৰ কৰিবৰ বাবে কিবা সামাজিক আন্দোলন হৈছিল বুলি আমি গম নেপাওঁ। এই সংস্কাৰ আন্দোলন-বোৰৰ সীমাৱদ্ধতা তাতেই।

লক্ষ্মীনাথ বেজবৰুৱায়ো ধৰ্মৰ বিষয়ে যথেষ্ট আলোচনা কৰি গৈছে। তেওঁ লেখিছে, "সকলো ধৰ্মৰ সাৰ নাম ধৰ্ম, সকলো ধৰ্মৰ প্ৰাণ নাম ধৰ্ম আৰু আমাৰ জীৱন হোৱা উচিত নাম ধৰ্ম।" আকৌ "যি সমস্ত চৰাচৰক ধৰি আছে সেয়ে ধৰ্ম। হিন্দু ধৰ্ম বুলি ধৰ্মৰ বিশেষ এটা নাম হিন্দুৰ শাস্ত্ৰত নাই। পিছৰ কালত বৌদ্ধ আৰু মুছলিম প্ৰভৃতি বেলেগ পন্থী লোকে

হিন্দুৰপৰা নিজক সুকীয়াকৈ বুজাবৰ নিমিত্তে প্ৰাচীন আৰ্য সন্তানবোৰক হিন্দু নাম দিলে। হিন্দু ধৰ্মৰ ভিতৰুৱা শক্তি, শৈৱ, বৈষ্ণৱ সম্প্ৰদায়বোৰ সুকীয়া স্তৰ মাথোন। সেইবোৰৰ ভিতৰত ঐক্য আৰু সামঞ্জস্য আছে, দ'কৈ গমি চালেই দেখি।" আন এঠাইত তেওঁ কৈছে, "সকলো ধৰ্মৰে দুটা ভাগ আছে, এটা লাগতিয়াল বা কম লাগতিয়াল; এভাগ সাৰ, এভাগ পলস। ধৰ্মোপদেশবোৰৰ শিক্ষা, মত, সিদ্ধান্ত, অনুশাসন, অনুষ্ঠান-পদ্ধতি ক্ৰিয়াকাণ্ড, আচাৰ, নীতি, পৌৰাণিক-তত্ত্ব, উপাখ্যান এইবোৰ পলস। আত্মতত্ত্বজ্ঞান আৰু আত্মসংযম সাৰ। গছৰ সাৰ ভাগ ৰক্ষা কৰিবলৈ যেনেকৈ পলসৰো দৰকাৰ, ধৰ্মৰ সাৰ ভাগ ৰক্ষা কৰিবলৈ তেনেকৈ ক্ৰিয়াকলাপ, অনুষ্ঠান প্ৰভৃতিৰো দৰকাৰ। কিন্তু পলস যেনেকৈ সাৰ নহয়, এইবোৰো তেনেকৈ আচল বস্তু নহয়।"

বেজবৰুৱা মহাপুৰুষ শঙ্কৰদেৱৰ নাম ধৰ্মৰ আধুনিক ব্যাখ্যাতা বুলি ক'লেও বঢ়াই কোৱা নহয়। বেজবৰুৱাৰ বিয়াখন আদি ব্ৰাহ্মসমাজ মতেৰে হৈছিল। তাত হোম পোৰা হোৱা নাছিল। বেজবৰুৱাই লেখিছে; "আদি ব্ৰাহ্মসমাজ বৈদিক কালৰ অপৌত্তলিক আৰ্য হিন্দু সমাজৰ আহিত গঠিত। বেদ আৰু উপনিষদ তাৰ ভেটি। বেদ-উপনিষদৰ সাৰ ভাগ গ্ৰহণ আৰু অলাগতিয়াল ভাগ বৰ্জন—অৱজ্ঞাভাৱে বৰ্জন নহয়।" এই উক্তিৰপৰাও বেজবৰুৱাৰ ধৰ্মসংস্কাৰৰ মনোভাৱ বুজিব পৰা যায়।

অসমত হিন্দু বৈষ্ণৱ সংস্কাৰকসকলৰ ভিতৰত উল্লেখযোগ্য লোক গড়মূৰ সত্ৰৰ স্বৰ্গীয় সত্ৰাধিকাৰ শ্ৰীপীতাম্বৰ দেৱ গোস্বামী। তেখেতে সত্ৰৰ অচল আৰু অযুক্তিকৰ সংস্কাৰ ভাঙি ধৰ্মক মানৱ মুক্তিৰ সংগ্ৰামত বিলীন কৰি দিবলৈ যত্ন কৰিছিল। তেওঁ জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো হিন্দুকে সমানভাৱে চাই হৰি-জন সকলোৰো স্থান উন্নত কৰিবলৈ চেষ্টা চলাইছিল। তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলনকো মানব মুক্তি তথা আধ্যাত্মিক

মুক্তিৰ এটা স্তৰ বুলি ভাবিছিল। তেওঁ মহাপুৰুষ শঙ্কৰদেৱৰ 'ভকতিয়ে জাতি অজাতি বিচাৰ নকৰে' বোলা বাণী কাৰ্যতঃ পুনৰ প্ৰৱৰ্তন কৰিবলৈ বিচাৰিছিল। ৰত্নকান্ত বৰকাকতীয়ে এইখতৰ কথা এইদৰে লেখিছিল, "স্বাধীনতা সংগ্ৰামত চাৰি সত্ৰীয়া গোসাঁই হৈয়ো গোস্বামী প্ৰভুৱে কংগ্ৰেছ কৰ্মী হিচাপে নিজে কাৰাবৰণ পৰ্যন্ত কৰি সংস্কাৰ সাধন কৰিবলৈ কি দেশহিতকৰ কামত হাত দিছিল তাক নিশ্চয় সকলোৱে জানে।...গোস্বামী প্ৰভুৰ সমাজ-কল্যাণৰ তীব্ৰ কামনা যেন পশ্চাদগামী সকলোৰে অন্তৰত জ্বলি উঠে —আমাৰ জনজাতিৰ লোকসকলকো আমাৰ মাজত সামৰি লবলৈ।"

যোৱা এশবছৰৰ ভিতৰত হোৱা সমাজ-সংস্কাৰবোৰৰ ভিতৰত বিধবা-বিবাহ প্ৰচলন, বাল্য-বিবাহ নিষেধ, আন্তঃসাম্প্ৰদায়িক আহাৰ আৰু বিবাহ, পুৰোহিত তন্ত্ৰৰ অৱনতিৰ বিৰুদ্ধে জনমত গঠন, কন্যাপণ প্ৰথাৰ অৱসান, যৌতুক প্ৰথাৰ লোপ আদিয়েই প্ৰধান। জনসাধাৰণৰ মাজত এই সংস্কাৰবোৰৰ প্ৰৱৰ্তন কৰাৰ প্ৰচেষ্টা বৰ ব্যাপক নহ'লেও জাতীয় স্বাধীনতাৰ আন্দোলনৰ কৰ্মীসকলৰ বৰঙণি নুই কৰিব নোৱাৰি। দণ্ডিনাথ কলিতাই চন্দ্ৰ শৰ্মাৰ জীৱনীত দৰ্শাইছে, কিদৰে চন্দ্ৰনাথে জীৱনৰ আগছোৱাত প্ৰাচীন সংস্কাৰবোৰ সলাবলৈ মন কৰা নাছিল। অসহযোগ আন্দোলন আৰু মহাত্মা-গান্ধীৰ সামাজিক সংস্কাৰৰ প্ৰেৰণাৰ ফলত তেওঁ উদাৰতাৰ পক্ষ-পাতী হৈছিল। কলিতাই লেখিছে, "অসহযোগ আন্দোলনৰ প্ৰধান পৃষ্ঠপোষক হৈ গাঁৱে-ভূঁঞে ফুৰোতেও সমাজৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰ গুচাবলৈ চেষ্টা কৰিছিল। মহাত্মাৰ উপদেশ মানি অস্পৃশ্যতা নিবাৰণৰ নিমিত্তে ৰাইজক বুজনিও দিছিল।" স্বামী বিবেকানন্দৰ ধৰ্মমতৰ দ্বাৰাও তেওঁ প্ৰভাৱান্বিত হৈছিল। তৰুণ ৰাম ফুকনৰ সৈতে লগ লাগি তেওঁ গুৱাহাটীত এখন সভা পাতি পেটেলৰ অসবৰ্ণ বিবাহ বিলৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। তেওঁ কৈছিল, "বাল্য বিবাহ সকলো অনৰ্থৰ মূল।"

ধৰ্ম পুৰণি অসমীয়া সমাজৰ ঘাই ধৰণী আছিল। বঙ্গদেশৰ নৱ-জাগৰণত দুটা ধাৰা আছিল। এটা যুক্তিবাদী আৰু ইটো পৰম্পৰাবাদী। প্ৰথমটিৰ ভিতৰতো আকৌ দুটা ভাগ : এটা ডিৰোজিঅ'ৰ দৰে প্ৰবল যুক্তিবাদীৰ ভাৱধাৰা আৰু আনটি হ'ল ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ আৰু ৰবীন্দ্ৰনাথৰ অপেক্ষাকৃত মোলায়েম যুক্তিবাদী আৰু মানৱতাবাদী ভাবধাৰা। পৰম্পৰাবাদীসকলৰ ভিতৰত মহৰ্ষি দেবেন্দ্ৰ নাথ ঠাকুৰ, ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ আৰু শ্ৰীঅৰবিন্দ প্ৰধান। অসমত এই দ্বিতীয় ধাৰাটোৰ চিন্তাবিদেই সৰহ। এই ধাৰাৰ শেহতীয়া অসমীয়া চিন্তাবিদ হ'ল ৰাধানাথ ফুকন। ফুকনে বিজ্ঞানৰ সহায়েৰে ঈশ্বৰ-তত্ত্ব বুজাইছিল। তেওঁ গীতাৰ পাতনিত লেখিছে, "সকলো ভাৰতীয় দৰ্শনৰ মূল বিষয়, অৰ্থাৎ বহিৰ্জগতত যে ৰূপ, আকৃতি, বৰ্ণ, গন্ধ, স্পৰ্শ একো নাই, এইবোৰ যে মনৰ কল্পনা, এই সত্যটি আধুনিক বিজ্ঞানে পৰীক্ষাৰে প্ৰমাণ কৰিছে।" এই উক্তিৰপৰা বুজা যায়, অসমীয়া শিক্ষিতলোকৰ মাজত বিজ্ঞানৰ প্ৰভাৱ বাঢ়ি অহা বাবে পৰম্পৰাবাদী পণ্ডিত-সকলে অকল শাস্ত্ৰৰ পুনৰ ব্যাখ্যাতে আৱদ্ধ নেথাকি বিজ্ঞানৰো সহায় লৈছে। তেওঁ লেখিছে, "ডাৰ্বিনৰ বিবৰ্তনবাদ একেবাৰে অশাস্ত্ৰীয় মত নহয়। আমাৰ মতে বিৱৰ্তন জীৱগত। ডাৰ্বিনৰ মতে ই দেহগত বা জাতিগত। ডাৰ্বিনে ক'ব নোৱাৰিলে এই পৃথিৱীলৈ প্ৰাণশক্তি ক'ৰ পৰা আহিল? ...আজিকালি বিজ্ঞানে বুজিছে যে প্ৰাণশক্তি বিচাৰি আমি আন গ্ৰহ-নক্ষত্ৰলৈ যাব নেলাগে; এই জগতেই প্ৰাণশক্তিৰ অভিব্যক্তি বা ক্ৰমবিকাশৰ স্থান। এইটো সেই উপনিষদৰ কথা :

'যদিদং কিঞ্চ জগৎ সৰ্ব্বং প্ৰাণ এজতি নিঃসৃতম্'

বিজ্ঞান লাহে লাহে উপনিষদৰ ওচৰ চাপি আহিছে আৰু কৈছে যে এই জগৎ চিৎ শক্তিৰ বিকাশ। য়ুৰোপীয় দাৰ্শনিক পণ্ডিত Whitehead আৰু Holt প্ৰভৃতিয়েও স্বীকাৰ কৰিছে যে এই জগত যেন এটা চৈতন্য-যুক্ত শক্তিৰ স্পন্দন।"

এই ভাবধাৰা প্ৰায়বিলাক শ্ৰেষ্ঠ অসমীয়াৰ চিন্তাতে পোৱা যায়। আদি যুগৰেপৰা অসমত ভাৰতীয় পৰম্পৰাৰ ঘাই প্ৰবাহ এটা চলি আহিছিল। এই প্ৰবাহ ঐতিহাসিক আৰু এই প্ৰবাহৰ ফলতে অসমত বাস কৰা বহুত জনজাতি হিন্দু ধৰ্মভুক্ত হয়। আহোম-সকলো এই প্ৰভাৱত পৰিয়েই হিন্দু হৈছিল। যোৱা এশ বছৰৰ ভিতৰত বড়োসকলে ব্ৰহ্ম ধৰ্ম গ্ৰহণ কৰাটো উল্লেখযোগ্য। এই ধৰ্ম এটা স্থানীয় ধৰ্ম আৰু ব্ৰহ্মোপাসনাৰ প্ৰকাৰ মাথোন। পৰ্বতৰ আৰু ভৈয়ামৰ জনজাতিৰ মাজত খ্ৰীষ্ট ধৰ্মৰ লোক বঢ়াটো বিশেষ উল্লেখযোগ্য। এই জনজাতিসমূহৰ আদিম ধৰ্ম-বিশ্বাসবোৰ অতি-কথা-প্ৰধান আৰু সবল আছিল। মানুহৰ ভালেমান বিশ্বাস ভাগি গৈছিল। এক ঈশ্বৰ আৰু ভূমাৰ চেতনা সেইবোৰত নাছিল। হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ সুবিধা আৰু অসুবিধা দুয়োটাই আছিল। সাধাৰণতে হিন্দু হোৱা জনজাতীয়সকলে শাক্ত বা বৈষ্ণৱ হৈয়ো নিজৰ নিজৰ জনজাতীয় সংস্কাৰবোৰ মানি চলিব পাৰে। কিন্তু তেওঁলোক জাত ব্যৱস্থাত সোমাই পৰে। খ্ৰীষ্টান বা মুছলিম ধৰ্মত পিছৰ ব্যৱস্থাৰ অসুবিধা বিশেষ ভোগ নকৰিলেও, ন ধৰ্ম লওঁতাজনে পূৰ্বৰ সংস্কাৰবোৰ প্ৰায় ত্যাগ কৰিব লাগে। অসমৰ মিচিংসকলৰ মাজত ধৰ্ম প্ৰভাৱৰ কথা আলোচনা কৰি ইন্দ্ৰেশ্বৰ পেগুৱে লেখিছে, "মিচিংলোকে তেওঁলোকৰ আদিম ধৰ্ম অক্ষুণ্ণ-ভাৱে ৰক্ষা কৰি থাকিলেও স্থানীয় ধৰ্মসমূহৰ প্ৰভাৱতো নপৰাকৈ থকা নাই। হিন্দু শাস্ত্ৰসমূহে জনসাধাৰণৰ মনত গভীৰ প্ৰভাৱ পেলাইছে। তদুপৰি শঙ্কৰী সংস্কৃতিৰ প্ৰভাৱো ব্যাপকভাৱে তেওঁ-লোকৰ ওপৰত পৰিছে। তাৰ ভিতৰত ওচৰে-পাজৰে হোৱা ভাওনা-বোৰেই প্ৰধান। এই ভাওনাসমূহৰ কাৰণেই হিন্দুৰ দেৱতা, ঈশ্বৰ আৰু শাস্ত্ৰসমূহৰ বীৰ নায়কসকল মিচিং ৰাইজৰ পৰিচিত। মিচিং সমাজত ধৰ্ম এতিয়া সংক্ৰান্তিৰ পথত। ধৰ্ম সংস্কাৰ সম্পৰ্কে বহুতৰে মনত সজাগ চেতনা উদয় হ'বলৈ ধৰিছে।"

বহুতো জনজাতি লোক হিন্দু ধৰ্মৰ প্ৰতি আৰু খ্ৰীষ্ট ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছে। বেজবৰুৱা আদিয়ে অসমৰ হিন্দু ধৰ্মৰ যি পুনৰ ব্যাখ্যা দিছে, সি পৰম্পৰাগত হ'লেও তাত এটা বহল আধ্যাত্মিক তত্ত্বও নিহিত আছে। খ্ৰীষ্টান ধৰ্মৰ ধৰ্মতত্ত্বৰ ব্যাখ্যাও বহল। বৰ্তমান অৱস্থাত শঙ্কৰী বৈষ্ণৱ ধৰ্ম আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰতি বহু জনজাতীয় লোক আকৃষ্ট হোৱা দেখা যায়।

অনুমান হয় অসমৰ লোকায়তিক সংস্কৃতিৰ প্ৰধান অঙ্গ জনসাধাৰণৰ ধৰ্মবিশ্বাস সামাজিক প্ৰয়োজন অনুসৰি সলনি হৈ আছে। তত্ত্বজ্ঞ বা উচ্চ শ্ৰেণীৰ চিন্তাবিদে ধৰ্মক আধ্যাত্মিক, নৈতিক আৰু সামাজিক দৃষ্টিৰপৰা চায়। কিন্তু সাধাৰণ মানুহে ধৰ্মক সদায় পৰকালৰ মুক্তি আৰু ইহজীৱনৰ সান্ত্বনাৰ চৰম সহায়ক ৰূপে চায়। যোৱা এশ বছৰৰ ভিতৰত বিজ্ঞান আৰু যুক্তিবাদৰ প্ৰভাৱত শিক্ষিতসকলৰ মনত আনুষ্ঠানিক ধৰ্মৰ প্ৰতি তীব্ৰ সন্দেহ সৃষ্টি হৈছে। উৰ্বলি যোৱা আচাৰ-নীতি-প্ৰথা, জাতিভেদৰ বন্ধন, নাৰীৰ দাসত্ব, ক্ৰিয়া-অনুষ্ঠানৰ খৰচৰ বাহুল্যতা আৰু উদ্যোগীকৰণ বা নাগৰিক মনোবৃত্তিৰ প্ৰতিকূল বাধা নিষেধ মষিমূৰ কৰিবৰ বাবে তেওঁলোকে নকৈ চিন্তা কৰিবলৈ লৈছে। এইসকল লোক মাৰ্ক্সবাদ, অনীশ্বৰবাদ আৰু আন আন ব্যক্তিবাদী বা সমাজমুখী দৰ্শনৰ প্ৰভাৱত পৰিছে। এওঁলোকে মানৱধৰ্মত বিশ্বাস কৰে; পুৰণি ধৰ্মৰ প্ৰভাৱ-শৈথিল্যৰ ফলত নতুন নৈতিক, সামাজিক আৰু দাৰ্শনিক চিন্তাৰ প্ৰয়োজন অনুভৱ কৰিছে।

ধৰ্মনিৰপেক্ষতাই অসমীয়া সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। আমাৰ সংবিধানেও ব্যক্তিক প্ৰাচীন বন্ধনৰপৰা মুক্তি দি ধৰ্মক ব্যক্তিগত বিষয় কৰি তুলিছে। সমাজত ধৰ্মৰ প্ৰভাৱ থাকিলেও ৰাজনীতিক ধৰ্মৰ ভেটিত সংগঠন কৰা দুৰূহ হৈ পৰিছে। পশ্চিমৰ মানৱতা আৰু সাম্যৰ বাণীয়ে আমাৰ ভৌতিক জীৱনৰ কাম-কাজ অনুপ্ৰাণিত কৰিছে। ভবানন্দ দত্তই ধৰ্ম, ৰাষ্ট্ৰ আৰু

যুক্তিসন্মত চিন্তাধাৰা বা দৰ্শনৰ সম্পৰ্কে আলোচনা কৰি কৈছেঃ "একালে ৰাষ্ট্ৰীয় চেতনা আৰু আন কালে ধৰ্মীয় চেতনাৰ লগত দৰ্শনৰ সম্বন্ধ গছ আৰু গুটিৰ সম্বন্ধৰ নিচিনা। ধৰ্মীয় চেতনাৰ লগত সংঘাতৰ ফলত দাৰ্শনিক চেতনাৰ উদ্ভৱ হয়, আকৌ সেই দাৰ্শনিক চিন্তাৰেই পৰিণতি হিচাপে নতুন ধৰ্মবোধৰ উৎপত্তি হয়। এইদৰেই দুয়োটাই উত্তৰোত্তৰ ঘাত-প্ৰতিঘাতৰ ভিতৰেদি বৰ্দ্ধিত হয়। আধুনিক বিজ্ঞানৰ যুগত যেতিয়া বিজ্ঞানৰ ঐহিক জ্ঞানে ধৰ্মবিশ্বাসৰ তীব্ৰ প্ৰতিদ্বন্দ্বী হিচাপে দেখা দিলে, তেতিয়া বিজ্ঞানৰ লগত দৰ্শনৰ সম্বন্ধও সেই একে গছ আৰু গুটিৰ সম্বন্ধৰ নিচিনা হ'ল। অৰ্থাৎ বিজ্ঞানে নতুন দাৰ্শনিক বোধৰ জন্ম দিয়ে আৰু নতুন দৰ্শনে বিজ্ঞানৰ তত্ত্বৰ পৰিবৰ্তন আৰু বৃদ্ধিৰ প্ৰেৰণাক জন্ম দিয়ে। বিজ্ঞানৰ উদ্ভৱ হোৱাৰ পাছৰেপৰা দৰ্শনৰো দুই ধাৰা হ'ল। এক ধাৰা হ'ল বিজ্ঞানৰ সহগামী আৰু আন ধাৰা হৈ থাকিল ধৰ্মৰ অনুগামী। ধৰ্মৰ আৰু বিজ্ঞানৰ যি বিৰোধ, এই দুই দাৰ্শনিক ধাৰাৰ ভিতৰতো সেই একে ধৰণৰ বিৰোধ।"

সকলো ধৰ্মৰ সমন্বয় অনাত ধৰ্মীয় দৰ্শনবোৰৰ এটা ভূমিকা আছে; সম্প্ৰদায়গত ধৰ্মতত্ত্ববোৰতকৈ এনে ধৰ্মীয় দৰ্শন বহল; কাৰণ ধৰ্মতত্ত্ববোৰ প্ৰধানতঃ একোটা ধৰ্ম সম্প্ৰদায়ৰ বিশ্বাস, পূজা-পাতল, আচাৰ-নীতি, অতিকথা আৰু ইতিহাসক কেন্দ্ৰ কৰি গঢ় লৈ উঠে। ইয়াত দৰ্শনৰ ভূমিকা গৌণ।

অসমীয়া চিন্তাত ধৰ্মৰ অন্তৰ্মুখী দিশটোৰ মূল্য স্বীকাৰ কৰা হৈছে। ভবানন্দ দত্তই লেখিছে, "আধ্যাত্ম সাধনাই হৈছে এই ধৰ্মৰ স্বৰূপ। ইয়াৰ সাধনাই মানুহৰ চেতনাক ব্যৱহাৰিক জীৱনৰ বন্ধনৰ পৰা মুক্ত কৰি আত্মাৰ নৱজন্ম আনি দিয়ে। ধৰ্মৰ বাহ্যিক আচাৰ নীতিৰ বন্ধনৰপৰাও এই সাধনা মুক্ত, যদিও বহুক্ষেত্ৰত আধ্যাত্ম-সাধনাৰ প্ৰথম অৱস্থাত এনেবোৰ আচাৰ-নীতি মনক আধ্যাত্মমুখী কৰি তোলাত সহায়ক হয়। এনে আধ্যাত্ম-সাধনাৰ মাজেদি

চেতনাৰ নৱজন্ম হ'লে সমগ্ৰ জীৱন আৰু জগত জুৰি এক নতুন আলোক উদ্ভাসিত হয়। ই চেতনাৰ নৱ-জাগৰণ। ধৰ্মৰ পুৰণি আচাৰ-নীতি আদিৰ বাহ্যিকতাৰ মাজত ধৰ্ম সম্প্ৰদায়ৰ মাজত অন্তঃসাৰশূন্য আধ্যাত্মিকতা লোপ পাই যি বিধান-সৰ্বস্বতা দেখা দিয়ে, তাৰ বন্ধন ভাঙি, ই সমাজত চেতনাৰ নবোন্মেষ কৰি মঙ্গল আৰু মুক্তিৰ কাৰণে নতুন নতুন সংস্কাৰৰ পথত সমাজক আগুৱাই নিয়ে। জীৱনৰ এই উপলব্ধিত যুক্তিৰ স্থান সাধাৰণতঃ নেথাকে। চেতনাৰ গভীৰৰপৰা জাগি উঠা ই এক অভিনৱ আৰু ৰহস্যময় উপলব্ধি। নৈষা তৰ্কেন মতিৰাপেনেয়া—এই উপলব্ধি সত্যক জনা মাত্ৰ নহয়, ই সত্য হোৱাৰ উপলব্ধি। ই চিন্তা, অনুভূতি আৰু কৰ্ম সকলোৰে ৰূপান্তৰ ঘটাই দিয়ে। উপনিষদীয় অৰ্থত জীৱনত এইদৰে সত্য হৈ উঠাৰ ভিতৰেদি সত্য দেখাকহে দৰ্শন বোলে। দাৰ্শনিক যুক্তি-তৰ্কই প্ৰথম অৱস্থাত চিত্তৰ বিক্ষেপে ঘটোৱা ভ্ৰান্ত ধাৰণাৰপৰা মনক মুক্ত কৰাত সহায় কৰে। আধ্যাত্ম উপলব্ধি হোৱাৰ পিছত সেই উপলব্ধ সত্যক সমাজত প্ৰয়োগ কৰাৰ কামত অন্যৰ সন্দেহ নিবাকৰণৰ কাৰণে দ্বন্দ্বমূলক যুক্তি-তৰ্কৰ প্ৰয়োজন হয়। প্ৰথমতে যুক্তিৰ কাম মনৰ আৱৰ্জনা আঁতৰোৱাৰ কাম। অৱশ্যে কিছু-মান মানুহৰ মন শৈশৱৰপৰা এনেধৰণৰ বাহ্যিকতাৰপৰা মোহমুক্ত হৈ থাকে। তেওঁলোকৰ চিত্তত নবোন্মেষৰ বাবে যুক্তিৰ আৱৰ্জনা আঁতৰোৱা কামৰ কোনো প্ৰয়োজন নহয়; আৰু যুক্তিৰ দ্বাৰা বিচাৰৰ পথ লোৱাৰ কোনো প্ৰয়োজনেই তেওঁলোকে অনুভৱ নকৰে।"

আধ্যাত্ম-সাধনাই প্ৰাচীন ধৰ্মৰ অৱশিষ্ট গ্ৰহণীয় ঐতিহ্য বুলি ধাৰণা কৰা লোকৰ সংখ্যাই অসমীয়া চিন্তাবিদৰ মাজত অধিক। যোৱা শতিকাৰ ভিতৰত আনুষ্ঠানিক ধৰ্মৰ প্ৰতি সমালোচনাশীল মনোভাৱ গ্ৰহণ কৰা লোক বহুত ওলাইছে। অৱশ্যে আধ্যাত্ম-সাধনা বিষয়গত নে কেৱল মানসগত এই বিষয়ে প্ৰশ্ন উঠিব পাৰে।

ভৌতিকবাদী দৰ্শন যোৱা শতিকাত বিশেষ আগবাঢ়িছে বুলি ক'ব নোৱাৰি। দ্বান্দ্বিক ভৌতিকবাদৰ চিন্তা অসমত আৰম্ভ হৈছে বুলিহে ক'ব পাৰি।

# চতুৰ্থ অধ্যায়

## সাহিত্য

যোৱা ডেৰশ বছৰত অসমীয়া সাহিত্যৰ যি পৰিবৰ্তন ঘটিছে, সেই পৰিবৰ্তনৰ সূচনা কৰে উনবিংশ শতাব্দীত হোৱা ভাৰতীয় নৱজাগৰণে। প্ৰাচীন অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠাংশ ভক্তিৰসমূলক আছিল; কাহিনী-কাব্য, নাট্য, চৰিত-পুথি, বৰগীত, গদ্য-কাব্য বা ধৰ্ম-পুথিত তাৰ প্ৰভাৱ অনুভূত হয়। অৱশ্যে আদি, বীৰ বা হাস্য-ৰসাত্মক লৌকিক কবিতাও ৰচিত হৈছিল। এই সাহিত্যৰ উৎস মূলতঃ সংস্কৃত সাহিত্য। অৱশ্যে পাৰ্চী সাহিত্যৰ প্ৰভাৱো আওপাকে নপৰাকৈ নাছিল। বুৰঞ্জী আৰু আন আন ব্যৱহাৰিক পুথিৰ গদ্য অসমীয়া ভাষাৰ বিশেষ সম্পদ। বুৰঞ্জীৰ ৰচনা-শৈলী শক্তি-শালী, মাজে মাজে ব্যাখ্যানো কৌতূহলোদ্দীপক; কিন্তু এইবোৰক ৰস–সাহিত্যৰ পৰ্য্যায়ত পেলোৱা টান। সাহিত্যত আদৰ্শগত আৰু নন্দনতাত্ত্বিক উদ্দেশ্যৰ সমন্বয় সাধিত হৈছিল। শ্ৰেষ্ঠ কবিসকলৰ পদত বৈচিত্ৰ্য আছিল। সমসাময়িক জীৱনৰ প্ৰভাৱ সৰহভাগ কবিতা আৰু নাটৰ বিষয়-বস্তুত নাছিল; মাথোন আওপকীয়া–ভাৱে থলুৱা জীৱনে ঠায়ে ঠায়ে কেতিয়াবা ভুমুকি মাৰিছিল। এই সাহিত্য পঢ়ুৱৈৰ বাবেই ৰচিত হোৱা নাছিল; অনাখৰী শ্ৰোতাৰ বাবে সাঙ্গীতিক মাধ্যমেৰে এই সাহিত্য পৰিবেশন কৰা হৈছিল। সাহিত্য-পুথি তেতিয়া সাচীপাতত হাতেৰে লেখা হোৱাত এইবিলাকৰ প্ৰচাৰ সীমাৱদ্ধ আছিল।

বৃটিছ শাসনৰ লগে লগে পুৰণি সাহিত্যৰ আদৰ্শ আৰু ৰূপ দুয়োটাই মৰহি পৰিল। চালুকীয়া মধ্যবিত্ত শ্ৰেণীটোৰ মাজত নবীন সাহিত্য সৃষ্টিৰ চেতনা জন্ম লওঁতে যথেষ্ট সময় লৈছিল। ১৮১৩ চনত প্ৰথম অসমীয়া বাইবেল ছপা হোৱাৰ লগে লগে

অসমীয়া ভাষা ছপাখানাৰ যুগত প্ৰৱেশ কৰে; অসমলৈ প্ৰথম প্ৰেছ আহে ১৮৩৫ চনত আৰু আনোতাসকলে লগত লৈ আহে প্ৰটেষ্টাণ্ট খ্ৰীষ্ট্ৰীয় ধৰ্মৰ উদাৰনৈতিক ব্যক্তিবাদ আৰু সেৱামূলক ভক্তি ধৰ্মৰ আদৰ্শ। এওঁলোকৰ যত্নত অসমীয়া ব্যাকৰণ, অভিধান, গদ্য শৈলীত ৰচিত কাহিনী-পুথি, ধৰ্মপথি আদি ৰচনা হয়। ১৮৪৬ চনত 'অৰুণোদই' প্ৰকাশৰ লগে লগে ন পদ্য, প্ৰবন্ধ, সংবাদ-সাহিত্য আৰু আন আন ৰচনাৰ প্ৰচলনৰ সুবিধা হয়। ইংৰাজী স্কুল, বৃটিছ প্ৰশাসন, ইংৰাজী সাহিত্য আৰু বঙ্গদেশত ৰাজা ৰামমোহন–বিদ্যাসাগৰৰ দ্বাৰা প্ৰৱৰ্তিত নব্য ভাৰতীয় আদৰ্শ, যোগাযোগ ব্যৱস্থাৰ বিপ্লৱ আদি বিভিন্ন শক্তিয়ে শিক্ষিত অসমীয়া সকলৰ মন মুকুলিত কৰে। ১৮৪৬ আৰু ১৮৮৯ চনৰ (এই চনতে 'জোনাকী' প্ৰকাশ হয়) মাজৰ কালছোৱাত ন সাহিত্য-চেতনাৰ দ্বাৰা প্ৰবুদ্ধ দুজন লেখকে অসমীয়া সাহিত্যত উদাৰনৈতিক প্ৰগতি-শীল মানৱতাবাদৰ প্ৰৱৰ্তন কৰে। তাৰে এজন হ'ল 'কোৱাভাতুৰী' আৰু 'কানীয়াৰ কীৰ্তন'ৰ লেখক হেমচন্দ্ৰ বৰুৱা; আনজন হ'ল বিধবা বিবাহৰ সমৰ্থক আৰু 'ৰামনৱমীৰ' ৰচক গুণাভিৰাম বৰুৱা। দুয়োজনেই ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰক আদৰ্শ পুৰুষ বুলি গণ্য কৰিছিল আৰু উপন্যাস-নাটৰ মাধ্যমেদি সংস্কাৰৰ বাট পোনাইছিল। হেমচন্দ্ৰ বৰুৱাৰ 'চেটায়াৰ' অপূৰ্ব আৰু গুণাভিৰামৰ সংস্কৃত মানৱতা মনোহৰ। ইংৰাজী শিক্ষাৰ এই এটা সুফল। এইবোৰৰ তুলনাত নিধিৰাম ফাৰৱেলৰ খ্ৰীষ্ট্ৰীয় দৃষ্টিভঙ্গীৰ কবিতা আৰু ৰুদ্ৰৰাম বৰদলৈ ফট'গ্ৰাফধৰ্মী নাট কম তাৎপৰ্যপূৰ্ণ।

অসমীয়া সাহিত্যত হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰৱৰ্তিত হাস্যৰসৰ (কমেডি আৰু চেটায়াৰ) ধাৰা বহুত দিনলৈকে স্থায়ী হয়। কলা-সম্মত হাস্যৰসৰ ধাৰা সজীৱ কৰি ৰখাত গুণাভিৰাম-লম্বোদৰৰ ধেমেলীয়া অভিধান, লম্বোদৰৰ 'সদানন্দৰ কলাঘুমটি', সত্যনাথৰ 'কেন্দ্ৰসভা', বেজবৰুৱাৰ ব্যঙ্গাত্মক গল্প আৰু কৃপাবৰ বৰবৰুৱাৰ

বিপুল ৰচনাৱলী, চন্দ্ৰধৰ বৰুৱা আৰু দণ্ডিনাথ কলিতাৰ সামাজিক ব্যঙ্গমূলক কবিতা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰী', বেণুধৰ ৰাজখোৱাৰ 'কুৰিশতিকাৰ সভ্যতা' আদি নাটক, পদ্মনাথ গোহাঞি-বৰুৱাৰ কমেডি 'গাঁওবুঢ়া', মিত্ৰদেৱ মহন্তৰ 'বিয়া বিপৰ্যয়' আৰু 'কুকুৰী কণাৰ আঠমঙলা' আদি ধেমেলীয়া নাট, পদ্মধৰ চলিহাৰ উপাদেয় প্ৰহসন 'নিমন্ত্ৰণ', মহীচন্দ্ৰ বৰাৰ ধেমেলীয়া গল্প আদি বিশেষভাৱে উল্লেখযোগ্য। নাটবিলাকৰ সৰহভাগেই ফাৰ্চ বা প্ৰহসন যদিও এই প্ৰহসনবোৰত সামাজিক কুসংস্কাৰৰ বিৰুদ্ধে ব্যঙ্গও নোহোৱা নহয়। সেয়ে প্ৰহসনৰ বহুতীয়া। হেমচন্দ্ৰ বৰুৱা চেটায়াৰ যেনেকৈ আজিকোপতি অপ্ৰতিদ্বন্দ্বী, মিত্ৰদেৱ যেনেকৈ গাঁৱলীয়া জীৱনৰ হাঁহি ফুটাই তোলাত সিদ্ধহস্ত, পদ্মধৰ যেনেকৈ বিমল হাস্যৰসৰ পৰিৱেশক, ঠিক তেনেকৈ সামাজিক আদৰ্শৰ দ্বন্দ্ব ভাবৰ ক্ষেত্ৰত পৰিষ্কাৰকৈ পৰিৱেশন কৰাত বেণুধৰ পটু। অৱশ্যে বেণুধৰৰ নাটবোৰৰ গাঁথনি দুৰ্বল। 'কুৰিশতিকাৰ সভ্যতা'ত নীলধ্বজে কোৱা কথাবোৰত শিক্ষিত অসমীয়া মধ্যবিত্তৰ অন্তৰ্দ্বন্দ্ব পৰিস্ফুট হৈছে। নীলধ্বজে ভাবত বিপ্লৱ সাধিব খোজে, কিন্তু কামত সংস্কাৰ মানি চলে; সি নিজৰ কপটালিৰ আদৰ্শ সদম্ভে ঘোষণা কৰিছে, "কপট কথাত, কপট বাৰ্তাত কুৰি শতিকাৰ বৃদ্ধি" পুৰণি আৰু নতুনৰ টনা-আজোৰাই হাস্যৰসাত্মক সাহিত্যৰ ব্যঙ্গৰ তল সুঁতিটো সজীৱ কৰি ৰাখিছে। হাস্যৰসাত্মক সাহিত্যৰ শ্ৰেষ্ঠ সৃষ্টি বেজবৰুৱাৰ কৃপাবৰ বৰবৰুৱা। এই চৰিত্ৰটোক পৃথিৱীবিখ্যাত বিমল হাস্যৰসাত্মক চৰিত্ৰ 'ডন কুইক্সট' আৰু 'পিকউইক্' আদি চৰিত্ৰৰ লগত ৰিজাব পাৰি। বেজবৰুৱাই সাৰ্থক কমেডিৰ সৃষ্টি কৰিছিল। বেজবৰুৱাৰ কমেডিৰ কোনো নিৰ্দিষ্ট কলাৰূপ নাই; কাৰণ তাত ৰচনা, ব্যাখ্যান, বৰ্ণনা, কথোপকথন, কবিতা আদি বিভিন্ন ধৰণৰ লেখা আছে। এই সংমিশ্ৰিত ৰূপক এক কৰি ৰাখিছে কৃপাবৰ চৰিত্ৰই আৰু তাৰ আভ্যন্তৰীণ দ্বন্দ্ববোৰৰ ভাৱসাম্য ৰক্ষা কৰিছে

বেজবৰুৱাৰ ষ্টাইলে। মুঠৰ ওপৰত হেমচন্দ্ৰ বৰুৱাৰ 'কোৱাভাতুৰী' আৰু বেজবৰুৱাৰ কৃপাবৰী কমেডী আধুনিক অসমীয়া হাস্য-ৰসাত্মক সাহিত্যৰ অতি উল্লেখযোগ্য সৃষ্টি। অসমীয়া পুৰণি সাহিত্যত 'ফাৰ্চে'ই সৰহ; একমাত্ৰ 'ভীম-চৰিত'ৰ বাহিৰে হাস্য-ৰসাত্মক পুথি তেনেকৈ নাই বুলিলেই হয়। (মাধৱদেৱৰ নাট-বোৰক বাৎসল্য ৰসৰ অন্তৰ্ভুক্ত কৰাহে ভাল বুলি মোৰ মনে ধৰে)। ত্ৰিশ দশকৰ শেষৰপৰা অসমীয়াত উল্লেখযোগ্য সামাজিক কমেডি বা চেটায়াৰ সৃষ্টি হোৱা নাই। জাতীয় একতা আৰু সমাজবাদী সংগ্ৰামত এইবোৰক (চেটায়াৰক) নিৰ্বিবাদে অস্ত্ৰ ৰূপে গ্ৰহণ কৰিব পৰা গ'লহেঁতেন। আনহাতে আমাৰ জীৱনৰ অন্তৰ্দ্বন্দ্ববোৰ কমেডিত প্ৰস্ফুটিত কৰি সেইবোৰৰ দ্বাৰা বিমল হাস্যৰসৰ যোগান ধৰিব পৰা গ'লহেঁতেন। এই অভাৱৰ কাৰণ প্ৰতিভাৰ অভাৱ নে জীৱন-দৰ্শনৰ অস্পষ্টতা ?

বেজবৰুৱাই নিজে প্ৰণয়, স্বদেশপ্ৰেম, প্ৰকৃতিপ্ৰেম, আদিক ভেটি কৰি গীতি কবিতা, নাটক আৰু কাহিনী আদি ৰচনা কৰিছে। কৃপাবৰ বৰবৰুৱা বেজবৰুৱাৰ বিপৰীত মনৰ অধিকাৰী। তেওঁ গীতি কবিতা, চনেট, গল্প, নাট আদিৰ পেৰডি ৰচনা কৰি গৈছে। আনকি বেজবৰুৱাৰ চিৰিয়াচ প্ৰবন্ধবোৰৰ বিপৰীতে আমি পাওঁ কৃপাবৰৰ ধেমেলীয়া ৰচনাবোৰ। অলপ সূক্ষ্মভাৱে চালে কৃপাবৰ বৰুৱাই পুৰাণ, জীৱনী, আত্মজীৱনী, প্ৰত্নতত্ত্বৰ গৱেষণা আদিৰো পেৰডি ৰচনা কৰি গৈছে। বেজবৰুৱাৰ মনত নবন্যাস সাহিত্যৰ যি গভীৰ আদৰ্শ বৰ্তমান, সেই গভীৰ আদৰ্শক এক উন্নত বহুৱালিৰ মাজেদি প্ৰস্ফুটিত কৰি কৃপাবৰ বৰুৱাই মানুহৰ সীমাবদ্ধতা ব্যক্ত কৰিছে। এক হিচাপে কৃপাবৰ বৰবৰুৱাই জোনাকী যুগৰ সাধনাক এক জাতীয় বহুৱাৰ দৃষ্টিৰে নিৰীক্ষণ কৰিছে। ওজাপালিত আমি গভীৰ আৰু লঘুৰসৰ যি সংমিশ্ৰণ পাওঁ, বেজবৰুৱা সাহিত্য তথা 'জোনাকী' যুগৰপৰা ৰচিত হোৱা

সাহিত্যতো মানৱৰস আৰু হাস্যৰসৰ সহ অৱস্থিতি দেখা পাওঁ।

অসমীয়া আধুনিক কবিতাত মধুসূদন দত্তৰ আহিত কাহিনী কাব্য ৰচনাৰ মাজেদি ৰমাকান্ত চৌধুৰী আৰু ভোলানাথ দাসে আধুনিক কাব্য-কলাৰ প্ৰৱৰ্তন কৰে। ভোলানাথ দাসে গীতি-কৱিতাৰ আহিঁতো কবিতা ৰচে। কমলাকান্ত ভট্টাচাৰ্যই সমাজ সংস্কাৰ আৰু জাতীয় জাগৰণৰ করুণ-বীৰ ৰস সনা গদ্য-গন্ধী কবিতাৰ জন্ম দিয়ে। তেওঁৰ কবিতাত ৰামমোহন ৰায়ৰ দৰে অতীত ভাৰতীয় দৰ্শনৰ উদাৰ ব্যাখ্যা পোৱা যায়, আৰু ই তেওঁৰ জাতীয় উন্নতিৰ কল্পদৃষ্টিৰ ভেটি ৰচিছিল। জোনাকী যুগৰ কবিসকলে গীতি কৱিতা আৰু চনেটৰ এটা কলাসন্মত ৰূপ দিয়ে। চন্দ্ৰকুমাৰ আগৰৱালা গীতি কৱিতাৰ প্ৰথম সাৰ্থক ৰচয়িতা আৰু ইয়াৰ মাজেদি তেওঁ এক অন্তৰঙ্গ ব্যক্তিগত বিশ্বদৰ্শনৰ কল্পদৃষ্টি প্ৰকাশ কৰেঃ মানৱ এই কল্পদৃষ্টিৰ কেন্দ্ৰবিন্দু। শোক-সঙ্গীত, কাহিনী কবিতা, নব্য লোকগীত, আধ্যাত্মিক আৰু স্বদেশ প্ৰেমমূলক কবিতা আদি কেইবাটাও ৰূপত এই গীতি-কবিতাই আত্মপ্ৰকাশ কৰে। এই যুগৰ গীতি-কবিতা আজিকালিৰ দৰে সম্পূৰ্ণ ৰূপে ফৰ্ম-সৰ্বস্ব অথবা একান্ত ব্যক্তি-সত্তাভিমুখী নাছিল। ই সমাজখনো স্বাভাৱিক ৰূপত গ্ৰহণ কৰিছিল। ফৰ্মৰ সীমাৱদ্ধতা অতিক্ৰম কৰি স্বদেশহিতৈষিতাৰ উগ্ৰ আবেগ প্ৰকাশৰ যি ধাৰা কমলাকান্তই প্ৰৱৰ্তন কৰিছিল, সেই ধাৰা অম্বিকাগিৰিয়ে পৰিবৰ্দ্ধন কৰি শক্তিশালী কৰে। এই সময়ৰ কবিতাত বিবিধ ৰূপৰ স্বীকৃতি দিয়াৰ বাবে কাহিনী কাব্যৰ পৰা আৰম্ভ কৰি ব্যঙ্গ কবিতালৈকে আটাইবোৰকে কবিতা আখ্যা দিয়া হৈছিল। ছন্দৰ বৈচিত্ৰ্য মানি লোৱাৰ উপৰিও কবিতাত বৰ্ণনা, আখ্যান, কথোপকথন আদিৰো স্থান আছিল। কবিসকলৰ বিষয়-বস্তুৰ পৰিধিও বৰ বহল আছিল। মানিমুনি শাকৰপৰা পৰমসত্তালৈকে সকলোকে কবিতাৰ বানকাঁহীত সজাই দিয়া হৈছিল।

নৱন্যাসৰ আৱিষ্কাৰৰ বিৰাটানুভূতিয়ে শ্ৰেষ্ঠ কবিসকলৰ মন আলোড়িত কৰিছিল। আদি কবিসকল আৱিষ্কাৰক আছিল সঁচা, কিন্তু তেওঁলোকৰ সৌন্দৰ্য-চেতনা আৰু সমাজ-চেতনা নিবিড়ভাৱে মিলি আছিল। এই চেতনা পৰম্পৰাৰপৰাও বিচ্ছিন্ন নাছিল। চন্দ্ৰকুমাৰ আগৰৱালাই এই যুগৰ সাৰ্থক প্ৰতিনিধিত্ব কৰে। 'মানৱ বন্দনা'ত চন্দ্ৰকুমাৰে নতুন মানবীয় চেতনা স্পষ্ট ভাষাত ব্যক্ত কৰিছে: "মানুহেই লগ, মানুহেই সংগ, মানুহেই পৰাৎপৰ; এই যে পৃথিৱী স্বৰ্গতো অধিক, মানুহৰ নিজাপী ঘৰ।" তেওঁ মানুহৰ মঙ্গল-সাধনাৰো সংকল্প লৈছিল,

"একৰ দুঃখক এশত ভগাই
পাতলোৱা দুঃখ ভাৰ;
মানুহ প্ৰাণৰ এশ-সুঁতি আনি
বোওৱা একেটি ধাৰ।" (বীণ বৰাগী)

শেষৰ বাক্যটোত মানৱ সংস্কৃতিৰ একত্ব প্ৰতিপন্ন কৰা হৈছে। মানৱতাৰ বিপৰীত ৰূপটোও তেওঁৰ চকুত পৰিছিল। "কুটুমে ৰান্ধে, কুটুমে বাঢ়ে, কুটুমে কুটুমক খায়; কুটুমৰ তেজেৰে বন্তি জ্বলালে, মজিয়া ভকেভকায়।" 'বীণ বৰাগী'ৰ মাজেদি কবিৰ আপোন কাব্য দৰ্শনো প্ৰকাশিত হৈছে যেন লাগে: "মোৰেই মাজেদি মানৱ প্ৰাণৰ ফুটক আকুল মাত; মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ সত্য হক প্ৰতিভাত।" তেওঁৰ পিষ্ট হৃদয়ত সহস্ৰ জীৱন জিৰাব বুলিও তেও আশা ৰাখিছিল।

বেজবৰুৱাৰ আৰু হেমচন্দ্ৰ গোস্বামীৰ সাধনা কবিতাত সামান্য-ভাৱেহে প্ৰকাশিত হৈছিল। বেজবৰুৱাৰ 'কদম কলি' আৰু হেমচন্দ্ৰ গোস্বামীৰ 'পুৱা' আদি কবিতাত সৌন্দৰ্য-চেতনাৰ স্বাক্ষৰ আমি পাওঁ। হেমচন্দ্ৰৰ প্ৰেমৰ চনেট আৰু বেজবৰুৱাৰ বেলেড-জাতীয় চহাপ্ৰেমৰ কবিতা 'ধনবৰ-ৰতনী' আদি পৰীক্ষামূলক যদিও কাব্য-চেতনাৰ দিগন্ত প্ৰসাৰৰ সহায়ক। বেজবৰুৱাৰ কবিতাত জাগ্ৰত আৰু মোহময় স্বদেশপ্ৰেম মূৰ্ত; কেতিয়াবা কেতিয়াবা

এই কবিতাবোৰ উপদেশমূলক আৰু উপস্থিত উদ্দেশ্য-প্ৰণোদিত হৈ পৰিছে। জোনাকী যুগৰ কবিসকলে অসমীয়া আধুনিক কবিতাত এটা ধৰ্মনিৰপেক্ষ মানৱতাবাদী উদাৰ চেতনা আনি দিলে আৰু ব্যক্তিৰ অনুভূতিক জীৱন্ত ৰূপত প্ৰকাশ কৰাৰ পথ আৱিষ্কাৰ কৰিলে। ইয়াৰ পিছত অসমীয়া কবিতাই এই ৰাজপথেৰেই বিচিত্ৰ পয়োভৰেৰে খোজ লৈছে। সন্দেহ নাই এই বিচিত্ৰ সৃষ্টিৰ পৰম্পৰাত ঊনবিংশ শতিকাৰ ইংৰাজী আৰু বঙালী সাহিত্যৰ সৃষ্টি পৰম্পৰাৰ প্ৰভাৱ বৰ্তমান। কিন্তু তেওঁলোকৰ সাৰ্থক কবিতাত এটা আপোন আৰু একান্ত অসমীয়া সুৰো বৰ্তমান।

জোনাকী যুগৰ পিছত অসমীয়া কবিতা বিচিত্ৰ পথেদি গতি কৰিছে আৰু নন সামাজিক শক্তিৰ আঘাত বা প্ৰেৰণাত বিচিত্ৰ ৰূপ লৈছে। এই কবিসকলৰ কবিতাৰ সাধাৰণ গুণ হ'ল প্ৰীতিমতা আৰু অনুপম ঐহিক চেতনা। তেওঁলোকৰ মাজত বৈষ্ণৱ কবি-সকলৰ অখণ্ড, বিশুদ্ধ আৰু নিৰ্ব্বিকল্প ভক্তি-ৰসৰ চেতনা নাই। কবিসকলে ঊনবিংশ শতিকাৰ নব্য আধ্যাত্মিকতাবাদৰপৰা যি প্ৰেৰণা লৈছিল, সি মূলতঃ বস্তুজগতৰপৰা আৰু মানৱ সমাজৰপৰা বিচ্ছিন্ন নহয়। কবিতাত নতুন আদৰ্শৰ প্ৰেৰণা প্ৰবল বাবে অসমীয়া কবিসকলৰ মাজত আজিকোপতি একান্ত বিশুদ্ধ কাব্যিক চেতনা পোৱা টান। আধুনিক যুগত এচাম ডেকা কবিক এই ন সচেতন আঙ্গিক চেতনাই কাব্য সৃষ্টিত প্ৰেৰণা যোগাইছে। এওঁলোক অধিক কলাসচেতন। এইসকলৰ ভিতৰত অজিত বৰুৱা, নীলমণি ফুকন আৰু ভবেন বৰুৱা আদিৰ নাম উল্লেখযোগ্য।

কিন্তু সৰহভাগ অসমীয়া কবিয়েই এনে সচেতন আঙ্গিক চেতনা লৈ কবিতা ৰচনা কৰা নাই। অৱশ্যে শব্দৰ মাধ্যমেদি চিত্ৰ বা ভাস্কৰ্যৰ দৰে নিখুঁত আঙ্গিক-কৈৱল্য সম্ভৱ নহয় যেন লাগে, কাৰণ তুলনামূলক দৃষ্টিৰে চালে ৰং-ৰেখা বা শিল আদিতকৈ শব্দ মাধ্যম হিচাপে অস্থিৰ। ইয়াৰ অৰ্থ আৰু ব্যঞ্জনা কম বেছি

পৰিমাণে বিবৰ্তনশীল। অৱশ্যে প্ৰত্যেকজন সাৰ্থক অসমীয়া কবিয়েই অচেতনভাৱে হ'লেও নিজ কবিতাৰ উপযোগী আঙ্গিক গ্ৰহণ কৰি আহিছে। ই সৰল হ'ব পাৰে, সি সুকীয়া কথা। কিন্তু অসমীয়া কবিতাত যিটো আটাইতকৈ লক্ষ্য কৰিবলগীয়া বিষয় সেইটো হৈছে জাতীয়তা, প্ৰকৃতি আৰু ব্যক্তি চেতনাৰ সমন্বয়। এক প্ৰবল অসমীয়া চেতনাৰ পৰিপ্ৰেক্ষিতত কমলাকান্তৰ গতিশীল স্বদেশপ্ৰেম, দুৰ্গেশ্বৰ শৰ্মা আৰু মফিজুদ্দিন হাজৰিকাৰ আধ্যাত্মিকতাবাদ, ৰঘু চৌধুৰীৰ প্ৰকৃতি-প্ৰিয়তা, হিতেশ্বৰ বৰবৰুৱাৰ বুৰঞ্জী চেতনা, দণ্ডী কলিতা, চন্দ্ৰ বৰ ৱা-বেজবৰুৱাৰ সামাজিক ব্যঙ্গ, ৰত্নবৰকাকতীৰ সৌন্দৰ্য-সচেতন অখণ্ড ভাববাদ, বেজবৰুৱাৰ আধুনিক লোকগীত, আদি অসমীয়া কবিতাৰ মাজত থকা বিচিত্ৰ পথ আৰু ৰূপক এক অখণ্ড দৃষ্টিৰে চোৱা হয়। এই দৃষ্টি আমি সবহ ভাগ সাহিত্যৰ সমীক্ষাতে পাওঁহক। এই দৃষ্টিয়ে আত্মসন্তুষ্টি দিয়ে আৰু সময়ত ন লেখকক উৎসাহো দিয়ে। অৱশ্যে সাহিত্য সমালোচনাৰ দৃষ্টিৰপৰাও এই কালছোৱাৰ কবিতাৰ সময়ে সময়ে পুনৰ মূল্যায়ন হৈ আছে। যি সমাজিক আৰু আধ্যাত্মিক প্ৰেৰণাই সচেতন বা অচেতনভাৱে স্বাধীনতা আন্দোলনৰ আগৰ যুগৰ কবিসকলক সৃষ্টিলৈ উদগাইছিল, সেই সামাজিক আৰু আধ্যাত্মিক প্ৰেৰণা প্ৰায় ত্ৰিশ দশকলৈকে দ্বন্দ্বৰ সন্মুখীন হৈয়ো তিষ্ঠি আছিল। যতীন দুৱৰা অকলশৰীয়া আৰু একজাতীয়া কবি। তেওঁ যাইকৈ প্ৰেমৰ কবি। আনহাতে অম্বিকাগিৰী, ৰত্ন বৰকাকতী, নলিনীবালা, বিনন্দ বৰুৱা, গণেশ গগৈ, লক্ষ্মীনাথ ফুকন, প্ৰসন্নলাল চৌধুৰী, দেৱকান্ত বৰুৱা, জ্যোতিপ্ৰসাদ আদি কবিসকলৰ ওপৰত কম বেছি পৰিমাণে পোনপটীয়া প্ৰগতিশীল সামাজিক চেতনাৰ প্ৰভাৱ পৰিছে। তাৰে ভিতৰত জ্যোতিপ্ৰসাদৰ কিছু লেখা ব্যক্তিগত বৈপ্লৱিক অভিজ্ঞতাৰ গুণেৰে সংশোধিত আৰু সমাজবাদী চেতনাৰ সমীপৱৰ্তী। বাকীসকলৰ ওপৰত স্বাধীনতা আন্দোলনৰ জাতীয়তাৰ প্ৰভাৱ পৰোক্ষ

বা প্ৰত্যেক্ষভাৱে বৰ্তমানে। ডিম্বেশ্বৰ আৰু আনন্দ বৰুৱাৰ সাৰ্থক কবিতাসমূহত এই প্ৰভাৱ মণিব নোৱাৰা। অৱশ্যে জাতীয় জাগৰণৰ সৰ্বাত্মক প্ৰভাৱে জীৱনৰ সকলো স্তৰ চুই গৈছে। গণেশ গগৈৰ প্ৰেমৰ চেতনা মানৱীয় কিন্তু ভাৱপ্ৰৱণ। দেৱ বৰুৱাৰ প্ৰেম ঐহিক আৰু সচেতন মানৱতাৰ চেতনাৰ দ্বাৰা উদ্বুদ্ধ। ৰত্ন কাকতী আৰু নলিনীবালাৰ সাৰ্থক কবিতাসমূহত যি আধ্যাত্মিক দৃষ্টি পোৱা যায়, তাৰ গুণগত তাৰতম্য আছে, কিন্তু ই উনবিংশ শতিকাৰ ভাৰতীয় দাৰ্শনিক মননশীলতাৰ প্ৰভাৱৰে সাক্ষ্য দিয়ে। সকলো কবিৰে দেশপ্ৰেম প্ৰকাশৰ ধৰণো এক নহয়। সকলোৱে কৰ্মৰ আহ্বান নজনায়, দেশৰ জ্ঞানময় স্বৰূপ বা ভক্তিময় মূৰ্তিৰ উপলব্ধি কৰিয়েই ক্ষান্ত থাকে। দেশপ্ৰেমৰ কবিতাত কৰ্মোন্মাদনা জগাবৰ বাবে কবিতাতকৈ গীতৰ বেছি সহায় লোৱা হৈছিল; এই দৃষ্টিৰ পৰা পদ্মধৰ চলিহা, নবীন বৰদলৈ, ৰাধাকুকন, পাৰ্বতীপ্ৰসাদ আৰু জ্যোতিপ্ৰসাদৰ গীতসমূহ উল্লেখযোগ্য।

চল্লিশ দশকত 'জয়ন্তী' আৰু 'ৰামধেনু' আদি আলোচনীত প্ৰকাশ পোৱা কবিতাসমূহ উল্লেখযোগ্য। সমাজবাদী বৈপ্লৱিক প্ৰেৰণাৰ ফলত দুই-এজন কবিয়ে তীব্ৰ প্ৰতিবাদ-ধৰ্মী কবিতা ৰচনা কৰে আৰু তাকে কৰিবলৈ যাওঁতে গীতি কবিতাৰ ফৰ্মৰ ঠাইত গদ্যছন্দৰ প্ৰৱৰ্তন কৰে। অমূল্য বৰুৱা, হেম বৰুৱা আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য আদিয়ে এনে কবিতা ৰচনা কৰে। অমূল্য বৰুৱাৰ কবিতাত প্ৰতিবাদ তীব্ৰতম আৰু পোনপটীয়া, আৰু প্ৰতীক থাকিলেও সেই প্ৰতীক তেওঁৰ বক্তব্যৰ অৱলম্বন মাথোন। তেওঁৰ মাজত এটা নিভাজ অনুভূতিও পোৱা যায়। হেম বৰুৱায়ো প্ৰায় একে পদ্ধতিকে অৱলম্বন কৰি কবিতা ৰচনাত আগবাঢ়ে। তেওঁৰ কবিতাত ৰাজনৈতিক গতিশীল চেতনা বৰ্তমান। আৰম্ভণিৰ ব্যঙ্গাত্মক স্বৰৰ কবিতাবোৰৰ স্তৰৰপৰা গৈ তেওঁ শেষৰ ফালে পৰিশীলিত ব্যক্তিগত অনুভূতিৰ কবিতা ৰচনা কৰে। হেম বৰুৱাই যুগসন্ধিক্ষণত

তেওঁৰ 'আধুনিক সাহিত্য', অন্যান্য ৰচনাসমূহ আৰু বক্তৃতাৰ মাজেদি আধুনিক কবিতাৰ লেখক আৰু পাঠকসকলৰ মনত প্ৰেৰণাৰ সৃষ্টি কৰিছিল। অমূল্য বৰুৱা আৰু হেম বৰুৱাই প্ৰৱৰ্তন কৰা এই প্ৰতিবাদ-ধৰ্মী কবিতাৰ বিকাশ নোহোৱাৰ প্ৰধান কাৰণ স্বাধীনতাৰ পিছত টুটি অহা বৈপ্লৱিক চেতনা। দোধোৰ মোধোৰ অৱস্থাৰ মাজত যিসকল কবিয়ে সচেতনভাৱে এনে সামাজিক কবিতা ৰচনাৰ পথ লৈছিল সেইসকলৰ ভিতৰত এই লেখক, কেশৱ মহন্ত, নলিনীধৰ ভট্টাচাৰ্য আৰু ৰাম গগৈ* আদিৰ নাম উল্লেখ-যোগ্য। কিন্তু বৈপ্লৱিক প্ৰেৰণা স্থিতিশীল সমাজ অথবা কৰ্মবিমুখ জীৱনে দিব নোৱাৰে; এই প্ৰসঙ্গত ৰাজনৈতিক কবি মাও-চে-টুঙৰ এষাৰ কথা স্মৰণীয়। "বিনা চৰ্তে, সৰ্বান্তকৰণে আৰু সুদীৰ্ঘ কালৰ বাবে মন থিৰ কৰি অফুৰন্ত প্ৰেৰণাৰ একমাত্ৰ উৎস সেই জ্বলন্ত সংগ্ৰামৰ মাজত (বৈপ্লৱিক সংগ্ৰাম) গৈ থিয় দিবগৈ লাগিব। জনতাৰ সকলো অংশ, সমাজৰ সকলো শ্ৰেণী, জীৱন আৰু সংগ্ৰামৰ সকলো সক্ৰিয় ৰূপ আৰু সংস্কৃতিৰ সকলো বিকাশমান লক্ষণৰ অনুসন্ধান, অনুশীলন আৰু বিশ্লেষণ কৰিবৰ অৰ্থে তাত থিয় হ'বগৈ লাগিব। তাৰ পিছতহে এইবোৰৰ ৰূপায়ন, সৃষ্টি কৰাৰ পদ্ধতি আয়ত্ত আৰু অনুশীলনৰ দ্বাৰা সৃষ্টি কৰায়ত্তকৰণ সম্ভৱপৰ হ'ব। এনে পদ্ধতিৰ অবিহনে শিল্পী হিচাপে আপোনা-লোকৰ পৰিশ্ৰম লক্ষ্যভ্ৰষ্ট হ'ব। কাৰণ প্ৰাথমিক উপকৰণ বা অৰ্দ্ধ-প্ৰস্তুত বস্তু সংগ্ৰহ কৰিব নোৱাৰিলে, আপোনালোকে ৰচনা কৰিব কিহেৰে? এনেভাৱে আগ নেবাঢ়িলে আপোনালোক অন্তঃসাৰশূন্য লেখকত পৰিণত হ'ব।" মাও-চে-টুঙৰ এই মত সৰ্বজন গ্ৰাহ্য নহ'বও পাৰে, কিন্তু এই কথা ঠিক যে বৈপ্লৱিক প্ৰেৰণা লাভ কৰা যাব পাৰে জ্ঞান-ভিত্তিক সমাজ-ৰূপান্তৰৰ অভিজ্ঞতাৰ দ্বাৰা। অসমীয়া কবিতা

* পিছৰ কালত যিসকলে এনে কবিতা লেখিবলৈ লৈছে তেওঁলোকৰ কথা মই আলোচনালৈ অনা নাই।

আৰু সাহিত্যলৈ সমাজবাদী বিপ্লৱৰ প্ৰেৰণা অনাৰ চিন্তা কৰা বা তাৰ দ্বাৰা উদ্বুদ্ধ হৈ কবিতা আদি ৰচনা কৰাৰ প্ৰয়াস এক নতুন কিন্তু অৱশ্যম্ভাৱী ঘটনা।

কবিতাক সামাজিক আৰু বিশুদ্ধ এনে ধৰণৰ বিভাগত ভাগ কৰাৰ সাময়িক মূল্য আছে। কিন্তু ই আলোচনাৰ সুবিধাৰ্থে কৰা বিভাগ। কবিতাক নন্দনতাত্ত্বিক দৃষ্টিৰপৰা বিচাৰ কৰাও প্ৰয়োজন। কাৰণ কবিতা এটা কলা আৰু বহুতো কবিতাত হৃদয়বৃত্তি ইমান প্ৰবল যে তাত সচেতন সামাজিক চেতনাৰ স্থিতি আপাতঃদৃষ্টিত ধৰা নপৰে। যি যুগত সামাজিক ক্ৰান্তিৰ প্ৰয়োজন জৰুৰী নহয় আৰু যিসকল কবিয়ে সম্পূৰ্ণ সমাজতান্ত্ৰিক সচেতনতাৰ পথেদি বাট নুবুলি কাব্য-চেতনাৰ বা পৰম্পৰাৰ পথেদি আগ বাঢ়ে সেইসকল কবিৰ মনত যে পৰিবেশ গ্ৰহণ বা বৰ্জনৰ সমস্যা নাই এনে নহয়। ক্ষয়িষ্ণু মধ্যবিত্ত সমাজত প্ৰতিহত সামাজিক চেতনাৰ ফলত সস্তীয়া ব্যৱসায়-বাদ বা উপযোগিতাবাদৰ এটা বিভ্ৰান্তকাৰী সোঁত বৈছে। ই নন্দনতাত্ত্বিক চেতনা-সম্পন্ন কবিসকলৰ মনত অনীহা আৰু বিৰাগৰ সৃষ্টি কৰিছে আৰু তেওঁলোকে নিজকে একপ্ৰকাৰ নিৰ্বাসিত যেন অনুভৱ কৰিছে। এই নিৰ্বাসন সমাজৰ ৰুচিৰ প্ৰয়োজনীয় পৰিবৰ্তনৰ অবিহনে নাতৰে। এই ক্ৰান্তি কবি আৰু সাহিত্যিকসকলে নিজে আনিব লাগিব, ইয়াৰ অবিহনে সাময়িক বিভ্ৰান্তিত পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনাই অধিক। এই দৃষ্টিৰপৰা চালে সৎ কলাসচেতন কবি-সকলে কলাৰ মাজেদিয়ে সলনিৰ ইঙ্গিত দিব লাগিব। বৈপ্লৱিক পৰিস্থিতিত এই বাছনি অৱশ্যম্ভাৱী হৈ পৰিছে।

মোৰ ভাব হয় অসমত আধুনিক কলাসচেতন কবিসকলৰ দুৰ্বলতা আৰু সামাজিক সচেতন কবিসকলৰ দুৰ্বলতাৰ গুণগত পাৰ্থক্য খুব কম। আৰু অসমীয়া মধ্যবিত্ত কবিসকলে ভাবত সমাজবাদী ক্ৰান্তি গ্ৰহণ নকৰাকৈ থকা নাই। জ্ঞান আৰু সৃষ্টিৰ সমন্বয় সাধিত হ'ব একমাত্ৰ সামাজিক তাৎপৰ্যপূৰ্ণ ক্ৰান্তিমূলক কৰ্মত অংশ গ্ৰহণৰ

দ্বাৰা। কাজেই দুয়োটা ধাৰাৰ চিন্তাবিদসকলৰ মতবিৰোধ বহুত দূৰ তাত্ত্বিক হৈ আছে। এই মতবিৰোধে অসমীয়া কবিতাৰ বিকাশত বাধা নিদিয়ে বুলিয়েই ধাৰণা হয়। আন এটা বিৰোধ প্ৰকট হৈ উঠা দেখা যায়। সেইটো প্ৰতিষ্ঠিত কবিসকলৰ নিজ কলা-দৃষ্টি সম্পৰ্কে মতভেদ। সুনীতিৰ ভেটিত পৰিচালনা কৰিলে এইবোৰ বিৰোধ বিজ্ঞান-সন্মত উপায়েৰে পৰিচালনা কৰিব পাৰি। আন অৰ্থত সাহিত্য সমালোচনাৰ মানদণ্ড আৰু স্তৰ উন্নত হোৱাৰ প্ৰয়োজন। সমালোচনাৰ ধাৰাৰ বিৰোধ, অথবা কলা-দৃষ্টিৰ বিৰোধ এইবোৰ উন্নত সমালোচনাৰ দ্বাৰাহে সঠিক পথেদি নিয়ন্ত্ৰিত কৰি লৈ যাব পৰা যাব। বৈপ্লৱিক ক্ৰান্তিৰ কালত তৰ্ক-বিতৰ্ক হোৱা স্বাভাৱিক; মাত্ৰ তাক সঠিক আৰু সৎ দৃষ্টিভঙ্গীৰে পৰিচালনা কৰা উচিত। আই-এ-ৰিচাৰ্ডে লেখিছে, "ভাল সমালোচনাৰ তিনিটা গুণ। তেওঁ যি গ্ৰন্থ বিচাৰ কৰিবলৈ লয় তাৰ লগত খাপ খোৱা মানসিক অৱস্থা বিনা বিকাৰেৰে উপলব্ধি কৰিবৰ জোখাৰে তেওঁৰ পটুতা থাকিব লাগিব। দ্বিতীয়তে তেওঁ এটা উপলব্ধিক আন এটা উপলব্ধিৰ পৰা নিলগাই চাব পাৰিব লাগিব যাতে তৰল বৈশিষ্ট্য আৰু উপাদানবোৰ ধৰা পৰে। তৃতীয়তে তেওঁ মূল্যবোধৰ বিজ্ঞ বিচাৰক হ'ব লাগিব।" অসমীয়া সাহিত্য সমালোচকৰ 'বিনা বিকাৰৰ উপলব্ধি' কৰাৰ জোখাৰে পটুতা, গুণগত পাৰ্থক্য বিচাৰৰ শক্তি আৰু বিভিন্ন মূল্যবোধৰ সঠিক আৰু তুলনামূলক জ্ঞান বৃদ্ধি পালে, এনে সমালোচনা কিয় নেবাঢ়িব ?

নৱকান্ত বৰুৱা, অজিত বৰুৱা, ভবেন বৰুৱা আৰু নীলমণি ফুকনৰ আঙ্গিকৰ নিজ নিজ বৈশিষ্ট্য আছে। শৈলীৰ ফালৰ নৱকান্তৰ কবিতা অপেক্ষাকৃতভাৱে সবল, আৰু তেওঁৰ উপলব্ধি প্ৰত্যক্ষ অথবা সামাজিক প্ৰতীকৰ বা বিবল চিত্ৰকল্পৰ মাজেদি ব্যক্ত হয়। অজিত বৰুৱা আৰু ভবেন বৰুৱাৰ শব্দ ব্যৱহাৰে দেৱালৰ গাঁথনিলৈ মনত পেলায়। নীলমণি ফুকনৰ কবিতাই অনিৰ্দিষ্ট ৰূপত

বা আভাসত এটা নিৰ্দিষ্ট অনুভূতি মনত জগাই যায়। এই সকলৰ কবিতাই অসমীয়া আধুনিক কবিতাৰ কলা-দৃষ্টি উন্নত কৰাত সহায় কৰিছে। ইয়াৰ বাহিৰেও হোমেন বৰগোহাঞি, মহেন্দ্ৰ বৰা, ধীৰেশ্বৰ বৰুৱা, হৰি বৰকাকতী, দীনেশ গোস্বামী, নিৰ্মলপ্ৰভা বৰদলৈ, হীৰেণ ভট্টাচাৰ্য আদি যিসকল কবি আছে সেইসকলৰ কবিতাত কোনো এটা নিৰ্দিষ্ট গুণৰ ভেটিত পৰ্যায়বদ্ধ কৰা কঠিন। এওঁলোকে আধুনিক কবিতাৰ পৰিসৰ বৃদ্ধি কৰাৰ উপৰিও শৈলী আৰু উপলব্ধিৰ বৈচিত্ৰ্য বঢ়াইছে।

কবিতাৰ পাঠক সমাজ সংখ্যালঘু; কবিসকলে বহুত সময়ত পাঠকৰ সহানুভূতি, নিজৰ ব্যাখ্যা শক্তি বা সমালোচকৰ ব্যাখ্যাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। এই নিৰাপত্তাহীনতাৰ বোধ উপন্যাসিক সকলৰ আৰু গল্পলেখকসকলৰ ক্ষেত্ৰত অপেক্ষাকৃত ভাবে কম। কিন্তু ভালেগান কাহিনী লেখকে জনপ্ৰিয়তাৰ ওপৰত জানি হওক বা নেজানি হওক অযুক্তিকৰভাৱে আস্থা স্থাপন কৰাত উপন্যাস বা গল্প মনোৰঞ্জনৰ পৰ্যায়লৈ অৱনমিত হৈছে। অসমত উপন্যাস আৰু চুটি গল্প এই দুটা বস্তু নতুন। পুৰণি সাহিত্যৰ লগত ইয়াৰ যোগসূত্ৰ নাই। অসমত উপন্যাসৰ আৰম্ভকৰ সন্মান প্ৰকৃত পক্ষে বেজবৰুৱা আৰু গোহাঞি বৰুৱাৰ প্ৰাপ্য। এওঁলোক বাটকটীয়া। এই উপন্যাসৰ গঢ় দিয়ে ৰজনী কান্ত বৰদলৈয়ে। বৰদলৈৰ উপন্যাসসমূহ অসমৰ বিগত যুগ এটিৰ অৱসানৰ চিত্ৰ। মিৰি জীয়ৰী অৱশ্যে বেলেগ। ই সৰল জনজাতীয় জীৱনৰ পটভূমিত ৰচিত করুণ প্ৰেমৰ কাহিনী। ব্যাখ্যান, চিত্ৰাঙ্কন আৰু ৰচনা শৈলী সকলো ফালৰপৰা তেওঁৰ উপন্যাসসমূহে আদি যুগৰ কৃতিত্ব প্ৰকাশ কৰে। দণ্ডীনাথ কলিতা আৰু দৈৱ তালুকদাৰৰ উপন্যাস-সমূহত আমি সমসাময়িক সামাজিক জীৱনৰ সংঘাতৰ চিত্ৰ ৰচনাৰ প্ৰয়াস দেখা পাওঁ। সামাজিক উপন্যাসৰ এওঁলোক বাটকটীয়া। দণ্ডী কলিতাৰ খোজতে খোজ মিলাই সামাজিক উপন্যাসৰ পৰম্পৰা

বিকাশ কৰা কৃতিত্ব আন এজন তেজপুৰীয়াৰ প্ৰাপ্য। তেওঁ দীন নাথ শৰ্মা।

বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাস হিচাপে নিটোল আৰু সেই লেখকৰে 'সেউজী পাতৰ কাহিনী' (ৰাস্না বৰুৱাৰ নামত) চাহবাগানৰ পটভূমিত ৰচিত এখন পৰীক্ষামূলক উপন্যাস। যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' দ্বিতীয় মহাযুদ্ধৰ পটভূমিত ৰচিত এখন সামাজিক উপন্যাস। আব্দুল মালিকৰ উপন্যাসৰ সংখ্যা যথেষ্ট; গুণগতভাৱে তেওঁৰ সাৰ্থক উপন্যাস 'সুৰুযমুখীৰ স্বপ্ন' ই এখন মুছলিম গাঁৱৰ পটভূমিত ৰচিত। মালিকৰ চুটি গল্পবোৰত পোৱা ৰোমাণ্টিক পৰিবেশ তেওঁৰ উপন্যাসবোৰতো আছে। এই লেখকেও 'ইয়াৰুইঙ্গম', 'আই', 'মৃত্যুঞ্জয়' আৰু 'প্ৰতিপদ' আদি উপন্যাস ৰচিছে। এই অঞ্চলৰ সামাজিক সংগ্ৰামৰ চিত্ৰ ইয়াত আছে। প্ৰফুল্লদত্ত গোস্বামীৰ 'কেচা পাতৰ কঁপনি', হোমেন বৰগোহাঞিৰ 'সুবালা', অমূল্য বৰুৱাৰ 'এই পদুমনি', নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' আৰু লক্ষ্মীনন্দন বৰাৰ 'গঙ্গা চিলনীৰ পাখি' আদিও উল্লেখযোগ্য উপন্যাস। উপন্যাস ৰচকৰ সংখ্যা যথেষ্ট। ওপৰত উল্লিখিত উপন্যাসসমূহে অসমীয়া উপন্যাসৰ সোঁত যে কোনফালে বৈছে বা কি স্তৰত আছে তাৰ নিদৰ্শন দিয়ে। বহুত উপন্যাসত কাহিনীৰ বাবে কাহিনী কোৱা হয়, বহুত উপন্যাস মনোৰঞ্জনমূলক। নিটোল গাঠনিৰ সাৰ্থক উপন্যাস অসমীয়াত কম। মানৱ সম্পৰ্কৰ গভীৰত সোমাই জীৱনৰ অৰ্থ প্ৰকাশৰ চেষ্টা কিমান উপন্যাসত আছে, সিয়ো ভাবিবলগীয়া।

মোৰ বোধেৰে উপন্যাস সাহিত্যৰ এই সামাজিক ধাৰাটোৱেই তাৎপৰ্যপূৰ্ণ। কিয়নো উপন্যাসৰ বিভিন্ন ধাৰা থাকিলেও এই ধাৰাটোৱেই অসমীয়াত কিছু পৰিপুষ্ট। কিন্তু এই তাৎপৰ্যপূৰ্ণ ধাৰাটোৰেই বা কিমান উৎকৰ্ষ সাধন হৈছে? সমাজ জীৱন ফুটাই তোলাৰ নৈতিক দায়িত্ব ঔপন্যাসিকে পালন কৰিবলৈ হ'লে

লেখকৰ হৃদয় গভীৰভাৱে সংবেদনশীল হ'ব লাগিব, আৰু তেওঁ সমাজৰ আৰু মানুহৰ পূৰ্ণ জ্ঞান আয়ত্ত কৰিবলৈ যত্ন কৰিব লাগিব। এই ক্ষেত্ৰত মাও-চে-টুঙৰ উল্লিখিত কথাষাৰ সম্পূৰ্ণ ৰূপে প্ৰযোজ্য। প্ৰাথমিক উপকৰণ সংগ্ৰহৰ বাবে আমাৰ লেখকসকলৰ জনসাধাৰণৰ লগত একাত্মীয়তা অনুভৱ কৰাৰ শক্তি লাগিব আৰু প্লট, চৰিত্ৰ, পৰিবেশ ৰচনাত নিখুঁত কলা-চেতনা প্ৰকাশ কৰিব পাৰিব লাগিব. সমাজবাদী ক্ৰান্তিৰ কালছোৱাত লেখকসকলে সামাজিক চেতনা আৰু কলাজ্ঞান সচেতনভাৱে আয়ত্ত কৰাৰ বাহিৰে অন্য পথ আৰু নাই। যোৱা ডেৰশ বছৰৰ উপন্যাস সাহিত্যত এই ধাৰাটোৱেই বিকাশ লাভ কৰিছে কিছু পৰিমাণে। ইয়াক আৰু সবল কৰা প্ৰয়োজন।

চুটি গল্পৰ ক্ষেত্ৰতো এই মন্তব্য প্ৰযোজ্য। প্ৰথম চাম চুটি গল্প লেখকৰ অগ্ৰণী হ'ল বেজবৰুৱা। বেজবৰুৱাই বিভিন্ন ধৰণৰ গল্প ৰচিছিল যদিও তেওঁ তাৎপৰ্যপূৰ্ণ সামাজিক চিত্ৰ 'ভদৰী'হে চুটি গল্পৰ পথ প্ৰদৰ্শক। ইয়াৰ পিছত দুজন লেখকৰ নাম মনলৈ আহে; তেওঁলোক হ'ল শৰৎ চন্দ্ৰ গোস্বামী আৰু লক্ষ্মীধৰ শৰ্মা। লক্ষ্মীধৰ সাৰ্থক গল্প লেখক; তেওঁৰ লেখা প্ৰাণৱন্ত আৰু 'ছিৰাজ' গল্পটো তাৎপৰ্যপূৰ্ণ ধাৰাটোৰ পৰিবৰ্দ্ধক। ত্ৰিশ দশকত চুটি গল্পৰ প্ৰসাৰ হৈছিল বুলিব পাৰি। ৰমাদাসৰ ৰচনাশৈলী আৰু মালিকৰ ৰচনা-শৈলী উল্লেখযোগ্য। এই সময়ৰ সৰহভাগ গল্পৰে বিষয়-বস্তু ৰোমাণ্টিক প্ৰেম। জনাজাত লেখকৰ ভিতৰত ত্ৰৈলোক্য গোস্বামী আৰু হলিৰাম ডেকাৰ গল্পতহে আমি বিধবাৰ আৰ্ত্তস্বৰ আৰু আন আন সামাজিক সমস্যাৰ ক্ষীণ প্ৰতিধ্বনি শুনোঁহঁক। চল্লিশ দশকৰ পিছৰপৰা উপন্যাসত আমি সামাজিকভাৱে তাৎপৰ্যপূৰ্ণ আৰু মনোৰঞ্জনমূলক এই দুটা স্পষ্ট ধাৰা বিকাশ হোৱা দেখিবলৈ পাওঁ। ডিটেক্‌টিভ, ৰোমান্স, দুৰ্ঘটনামূলক, যৌন ঘটনা-প্ৰধান গল্প মূলতঃ মনোৰঞ্জনমূলক। এনে ধৰণৰ গল্পৰ প্ৰসাৰ স্বাভাৱিক কিন্তু

তাৎপর্যপূৰ্ণ নহয়। মালিক, বীৰেণ ভট্টাচাৰ্য, যোগেশ দাস, হোমেন বৰগোহাঞি, মহিম বৰা, ভবেন্দ্ৰনাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া, নিৰুপমা, গোহাঞি. শীলচন্দ্ৰ, সৌৰভ চলিহা আদি লেখকসকলৰ চেতনা আৰু ৰচনাশৈলীৰ তাৰতম্য আছে, কিন্তু এওঁলোকৰ কিছু গল্পই কিছু পৰিমাণে হ'লেও সামাজিকভাৱে তাৎপৰ্যপূৰ্ণ ধাৰাটোৰ বিকাশ ঘটাইছে। অপেক্ষাকৃতভাৱে কম বয়সীয়া লেখকসকলৰ মাজতো এই তাৎপৰ্যপূৰ্ণ ধাৰাৰ প্ৰভাৱ দেখা পোৱা যায়। চুটি গল্পত সমগ্ৰ সমাজ আৰু জীৱনৰ সকলো কাল দৰ্শোৱা টান। ই মাথোন সীমিত কাল আৰু স্থানৰ গতিশীল চিত্ৰ দাঙি ধৰে। এইকলাত যথেষ্ট সংযম আৱশ্যক। অসমীয়াত ভবেন শইকীয়া আৰু সৌৰভ চলিহা সুকুশলী লেখক। ভবেন শইকীয়াৰ কাহিনী পৰিৱেশন মনোৰম আৰু কিছুমান সামাজিক পৰিৱেশ চিত্ৰন যথাৰ্থ। সৌৰভ চলিহাৰ চিত্ৰন জটিল আৰু মানসিক। সৌৰভ চলিহাৰ আগৰ গল্পবোৰত সামাজিক পৰিৱৰ্তনৰো ইংগিত আছিল। বাকীবিলাক লেখকৰ গল্পতো নিজ নিজ বৈশিষ্ট্য বৰ্তমান। কিন্তু সততে পৰিৱৰ্তনশীল জীৱনৰ গভীৰত সোমাই তাৰ স্বৰূপ মুহূৰ্তৰ ভিতৰত ধৰি ৰাখিবলৈ যি সজাগ অন্তৰ্দৃষ্টি লাগে, তাক সদায় অনুভৱ কৰা নাযায়। উপন্যাস আৰু গল্পৰ দৰেই ইয়াতো পৰ্যাপ্ত উপলব্ধি আৰু প্ৰাথমিক উপকৰণৰ প্ৰয়োজন।

বেজবৰুৱা আৰু মহীচন্দ্ৰ বৰাই যি ব্যঙ্গাত্মক আৰু ধেমেলীয়া গল্পৰ আহি দৰ্শাই থৈ গৈছে, সেই আহি কিয় অনুসৰণ কৰা হোৱা নাই তাক ব্যঙ্গ সাহিত্যৰ প্ৰসঙ্গত কোৱা হৈছে। সমগ্ৰ সমাজখনেই আজি অস্থিৰ। হাস্যৰসৰ বাবে যি 'নৰ্ম' বা মানদণ্ড লাগে, তাৰ অভাৱ ঘটিছে। গতিকে নতুন এখন সমাজৰ মানদণ্ড স্থিৰভাৱে গ্ৰহণ নকৰালৈকে হাস্যৰসাত্মক ৰচনা প্ৰকৃতপক্ষে ৰচনা কৰা টান হ'ব।

আধুনিক অসমীয়া নাটৰ জন্ম সামাজিক সংস্কাৰৰ তাগিদাত।

'কানীয়াৰ কীৰ্তন' আৰু 'ৰাম নৱমী'ত এই কথা স্পষ্টভাৱে ধৰিব পাৰি। বেজবৰুৱাৰ 'লিতিকাই'ৰপৰা আৰম্ভ কৰি মিত্ৰদেৱৰ 'কুকুৰীকণাৰ আঠমঙলা'লৈকে এলানী প্ৰহসন ৰচিত হৈছিল কেৱল হহুৱাবৰ বাবে। কিন্তু এই প্ৰহসনৰ ধাৰাৰো বিলুপ্তি ঘটিছে বুলিয়েই ক'ব লাগিব। বৰ্তমানৰ সংক্ৰান্তি কালত প্ৰহসন ৰচিত হোৱা নাই, হৈছে একপ্ৰকাৰৰ নাটক, য'ত মানুহৰ ধাৰণা পৰিবেশৰ মাজত থকা অমিল পৰিস্থিতি দৰ্শোৱা হয়। এই পৰিস্থিতি হাঁহি উঠা, কিন্তু একেবাৰে অৰ্থহীন নহয়। অৰুণ শৰ্মাৰ 'আহাৰ' এনে এখন নাট। এক নাৰীৰ প্ৰতি বিভিন্ন মানুহৰ বিভিন্ন ধাৰণাৰ অসম্ভাব্যতা দৰ্শোৱাই ইয়াৰ উদ্দেশ্য। কিন্তু এই পৰিস্থিতি হাস্যকৰেই নহয় করুণো। বৰ্তমান পৰিস্থিতিত 'ৰামনৱমী', 'চক্ৰধ্বজসিংহ', 'গাওঁবুঢ়া', 'মেঘনাদবধ', 'পাৰ্থসাৰথি', 'লাচিত বৰফুকন' আৰু আনকি 'পিয়লি ফুকন' আদি নাটকৰো জনপ্ৰিয়তা কম। এই সময়ৰ হাতৰ পুতলা স্বৰূপ অসমীয়া নাটবোৰৰ ভিতৰত সময়হীন নাট নাইনেকি? এই প্ৰশ্নৰ উত্তৰ আমি দিব নোৱাৰো, সময়েহে দিব। সম্ভৱত অসমীয়া নাটবোৰৰ সৰহ ভাগেই মঞ্চমুখী; তুলনামূলকভাৱে চালে স্থায়ী সাহিত্যিক উপাদান বা অন্তৰ্শক্তি সেইবোৰত কম। অকল কলাবপৰাই নহয়, সামাজিক শক্তিক সম্যকভাৱে উপলব্ধি কৰি ৰূপদান কৰাৰ ওপৰতো এই শক্তিৰ জন্ম নিৰ্ভৰশীল। বেজবৰুৱাৰ 'জয়মতী' অথবা জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' অপেক্ষাকৃতভাৱে জীৱনৰ সুকুমাৰ চেতনাৰ উপলব্ধিৰ ফল; এই বিলাকৰ সাহিত্যিক মূল্য স্পষ্ট। কিন্তু আধুনিক নাটকবোৰত সাহিত্যৰ দিশটোৰ কিমান বিকাশ ঘটিছে সি ভাবিবলগীয়া। আনহাতে প্ৰতিভাৰো অভাৱ চকুত পৰে। অসমীয়া মধ্যম বৰ্গীয় সাহিত্যৰ সৃষ্টিৰ কাল ডেৰশ বছৰৰ অধিক নহয়। যাই কলাৰূপবোৰত এই সাহিত্যৰ কিমান উৎকৰ্ষ সাধিত হৈছে তাক এক বিশেষ দৃষ্টিকোণৰপৰা সমীক্ষা

কৰি চোৱা গ'ল। এই সমীক্ষা সৰ্বসম্মত হ'ব বুলি আশা কৰা টান। কিন্তু ই যুক্তিসম্মত পৰ্যালোচনাৰ বাবে উদগনি দিব বুলি ভবাটো অনুচিত নহ'ব।

আধুনিক সাহিত্যৰ কথা বিচাৰ কৰোতে ৰস-সাহিত্যৰ বহিৰ্ভূত প্ৰবন্ধ সাহিত্যৰ কথা বাদ দিয়া হৈছে। এই শিতানত অসংখ্য গ্ৰন্থ প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত সাহিত্য, ভাষা, বিবিধ বিজ্ঞান, বিভিন্ন মানৱ-শাস্ত্ৰ, ধৰ্ম, দৰ্শন, তথ্যমূলক সমীক্ষা আৰু মৌলিক চিন্তাশীল গ্ৰন্থও আছে। এই প্ৰবন্ধ—সাহিত্যৰ ভিতৰত সাহিত্যৰ সমীক্ষা আৰু মূল্যায়নৰ গ্ৰন্থ যথেষ্ট। বিজ্ঞানৰ মৌলিক গ্ৰন্থ কম। ধৰ্ম আৰু দৰ্শনৰ গ্ৰন্থসমূহৰ সৰহভাগেই প্ৰাচীন ধৰ্ম আৰু দৰ্শনৰ আধুনিক ব্যাখ্যা। এইবিলাক গ্ৰন্থৰ তালিকা দিলেও যথেষ্ট ঠাই ল'ব। দৃষ্টিভঙ্গীৰ ভেটিত যদি এই গ্ৰন্থবোৰ ভাগ কৰা যায়, তেন্তে বিশ্লেষণমূলক পাণ্ডিত্যপূৰ্ণ গ্ৰন্থই সৰহ ওলাব। প্ৰাচীন সংস্কৃতিৰ ব্যাখ্যাই এইবোৰ গ্ৰন্থৰ উদ্দেশ্য। এইবোৰ গ্ৰন্থই প্ৰাচীন ধৰ্ম, সাহিত্য, লোকসংস্কৃতি, দৰ্শন এই-বোৰৰ সৈতে আমাক পৰিচয় কৰাই দিয়ে। কিন্তু ইয়াতো দৃষ্টিভঙ্গীৰ তাৰতম্য আছে; মনোৰঞ্জন শাস্ত্ৰীৰ 'বৈষ্ণৱ ধৰ্মৰ ৰূপ-ৰেখা' আৰু ৰাধানাথ ফুকনৰ 'বিজ্ঞানৰ সিপাৰে' আদি গ্ৰন্থ সম্পূৰ্ণৰূপে আদৰ্শবাদী। প্ৰফুল্লদত্ত গোস্বামীৰ 'অসমীয়া জন সাহিত্য' আৰু বিৰিঞ্চি বৰুৱাৰ 'অসমৰ লোক সংস্কৃতি'ত নৃতাত্বিক চিন্তাৰ প্ৰভাৱ আছে। বেণুধৰ শৰ্মাৰ 'মণিৰাম দেৱান' আৰু সহজে কোনো কল্পৰূপৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰা 'কংগ্ৰেছৰ কাচিয়লি ৰ'দত'খনৰ দৃষ্টিভঙ্গী জাতীয়তাবাদী; ভবানন্দ দত্তৰ 'দৃষ্টি আৰু দৰ্শন'ত যুক্তিবাদী সমাজতত্ত্বৰ চেতনাৰ প্ৰভাৱ অনুভৱ কৰা যায়। মহেশ্বৰ নেওগৰ 'অসমীয়া গীতি-সাহিত্য' আৰু সত্যেন শৰ্মাৰ 'অসমীয়া উপন্যাস সাহিত্য' বা নাট্য সাহিত্যৰ দৃষ্টি সাধাৰণভাৱে 'সাহিত্যিক' বুলি ক'ব পাৰি। প্ৰবন্ধ-সাহিত্য

কেতিয়াবা ৰস-ৰচনাৰ অভিমুখে গতি কৰে ; কিন্তু মূলতঃ ই তথ্যবহুল বৈজ্ঞানিক ৰচনাৰ আদৰ্শ গ্ৰহণ কৰে। অসমত অৱশ্যে এতিয়াও প্ৰবন্ধ সাহিত্য বিপুল আৰু সৰ্বতোমুখী হোৱা নাই। আলোচনী আৰু সংবাদ-পত্ৰৰ সংখ্যাও কম।

সমালোচনা সাহিত্যত প্ৰথম স্থান অধিকাৰ কৰে বুৰঞ্জীসমূহে। দেবেন বেজবৰুৱাৰ দিনৰেপৰা সত্যেন শৰ্মা-নেওগৰ দিনলৈকে ভালেমান বুৰঞ্জী ৰচা হৈছে। এইবিলাকৰ মানদণ্ড সাধাৰণভাৱে ঐতিহাসিক আৰু ব্যাখ্যামূলক। ডিম্বেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ জিলিঙনি' আৰু বুৰঞ্জী আদি গ্ৰন্থবোৰত নিজস্ব এটা দৃষ্টিভঙ্গী দেখা যায়, কিন্তু বাকীবোৰ বুৰঞ্জীত একান্ত ব্যক্তিগত দৃষ্টিভঙ্গীৰ প্ৰাধান্য নাই। এই বুৰঞ্জীবোৰ ব্যাখ্যামূলক হ'লেও কালবিভাগ আৰু বিষয়-বস্তু বা লেখকৰ জীৱনীৰ লগত সৃষ্টিৰ সম্পৰ্ক আলচ কৰোঁতে লেখকসকলে সমাজতত্ত্ব, মনোবিজ্ঞান আৰু নন্দনতত্ত্ব আদিৰ সহায় ল'ব লগা হৈছে। গতিকে এইবোৰক সামগ্ৰিক দৃষ্টিৰে পুনৰ মূল্যায়ন কৰাৰ প্ৰয়োজন অনুভূত হয়। সাহিত্য সমালোচনাৰ মৌলিকতত্ত্বৰ গ্ৰন্থৰ অভাৱ আজিও আমাৰ আছে। প্ৰাচীন সাহিত্যৰ আলোচনা কৰিবলৈ যেনেকৈ অলঙ্কাৰ-শাস্ত্ৰৰ জ্ঞান আৱশ্যক, আধুনিক সাহিত্য আলোচনা কৰিবলৈ তেনেকৈ আৱশ্যক আধুনিক সমালোচনা-শাস্ত্ৰৰ জ্ঞান লাগে। দুয়োটা সমালোচনা পদ্ধতিৰ সমন্বয় সাধনৰ প্ৰয়োজন অনুভৱ কৰি ত্ৰৈলোক্য নাথ গোস্বামীয়ে ৰচা 'সাহিত্য-সমালোচনা' গ্ৰন্থখন তাৎপৰ্যপূৰ্ণ। বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' খনো পুৰণি সাহিত্য মূল্যায়নৰ কটকটীয়া গ্ৰন্থ ৰূপে মূল্যবান। সম্প্ৰতি ডঃ হীৰেণ গোঁহাই আৰু ভবেন বৰুৱাই সমালোচনাত নতুন গতি সৃষ্টি কৰাৰ চেষ্টা কৰিছে। এইবিলাক নতুন প্ৰচেষ্টাৰ ফলাফল চাইছে এইবোৰ পদ্ধতিৰ সফলতা নিৰ্দ্ধাৰণ কৰিব পৰা যাব।

অসমীয়া সাহিত্যত জীৱনী ৰচনা এতিয়াও কলাৰূপে পৰিগণিত

হোৱা নাই যেন লাগে। কিছু পৰিমাণে বেণুধৰ শৰ্মাৰ 'গঙ্গাগোবিন্দ ফুকন', সোণাৰাম শৰ্মা কটকীৰ 'হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত' প্ৰফুল্লদত্ত গোস্বামীৰ 'মাণিক চন্দ্ৰ বৰুৱা', মহেশ্বৰ নেওগৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱ', দণ্ডীনাথ কলিতাৰ 'চন্দ্ৰনাথ শৰ্মা' আদি গ্ৰন্থই জীৱনীৰ অভাৱ পূৰণ কৰিছে। অৱশ্যে অসমীয়াত সৰু বৰ অনেক জীৱনী ওলাইছে। এফালৰপৰা চাবলৈ গ'লে, 'আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱন চৰিত্ৰ' (১৮৮০) খন আজিও অদ্বিতীয়। সূৰ্যকুমাৰ ভূঞাৰ 'আনন্দৰাম বৰুৱাৰ জীৱন চৰিতো' উল্লেখযোগ্য গ্ৰন্থ। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই এই জীৱনীসমূহৰ মাজত নায়কৰ অন্তৰ-জীৱনৰ চিত্ৰ আৰু ৰমনীয়তাৰ অভাৱলৈ আঙুলিয়াইছে। এই কথা সত্য। জীৱনী-যান্ত্ৰিক তথ্যপ্ৰদান নহয়, অথবা 'কেৰিয়াৰ' পৰিচয় নহয়। ই হ'ল স্থান আৰু কালৰ পটভূমিত এজন বিশিষ্ট পুৰুষৰ সমগ্ৰ জীৱনৰ কথা। এই কলা উপন্যাসৰ কলাৰ সমকক্ষ।

আত্মজীৱনীৰ ভিতৰত বেজবৰুৱাৰখন সুখপাঠ্য। কিন্তু ইয়াতো মানুহৰ অন্তৰ্জীৱনৰ সকলো সত্য প্ৰকাশ হোৱা নাই। আত্মজীৱনীৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা, মৌলানা তৈয়বুল্লা, কৃষ্ণনাথ শৰ্মা, বেণুধৰ ৰাজখোৱা, শৈলধৰ ৰাজখোৱা আদিৰ গ্ৰন্থ সুখপাঠ্য। আত্মজীৱনৰ কলাও উপন্যাসৰে অনুৰূপ। মানুহৰ জীৱনৰ কিমানখিনি ঐতিহাসিকভাৱে তাৎপৰ্য, কিমানখিনি ইতিহাসৰ অপ্ৰয়োজনীয় বা বাহিৰত এই কথা চিন্তাৰ বিষয়, কিন্তু প্ৰত্যেক ব্যক্তিয়েই এক বিস্ময়কৰ ৰহস্যৰ আকৰ। ইয়াক আৱিষ্কাৰ কৰা, (বিশেষকৈ নিজে নিজক) সুগভীৰ আত্মশিক্ষাৰ আৰু আত্মজ্ঞানৰ দ্বাৰাহে সম্ভৱপৰ হয়। এই কলাৰূপৰ সাধনা অসমীয়াত পৰ্যাপ্ত নহয়।

ৰম্য ৰচনাক বহুতে 'বাৰেমিহলি' বা বাৰেবিংকৰাৰ অৰ্থত ব্যৱহাৰ কৰে। কিন্তু প্ৰকৃত পক্ষে ৰম্য ৰচনা নিৰ্দিষ্ট ৰূপহীন

ৰস-ৰচনা।* ইয়াত ৰচনা ৰীতিৰ পটুতা যিমান আৱশ্যক, সিমান আৱশ্যক হাস্যৰসবোধ। এই ৰম্য ৰচনাত এটা কমিক দৃষ্টিভঙ্গীৰ বোধহয় প্ৰয়োজন। অসমীয়া সাহিত্যত স্বাধীনতাৰ পিছত এই শিতানত কিছু ৰচনা বাতৰি কাকত আৰু আলোচনীত প্ৰকাশিত হৈছিল। এনে বিধ ৰচনাৰ কৌশল চুটি গল্পৰ লগত মিল, কিন্তু ইয়াত তেনে প্লট নাই। কল্পনাৰ সাহায্য ল'লেও লেখকে দেখা বস্তু বা দৃশ্যৰ মাজৰপৰা ৰস উলিয়াব পাৰে। ডঃ হেম বৰুৱাৰ এনেকুৱা বহুত ৰচনা স্কেচ্ছ জাতীয়; কেতিয়াবা চৰিত্ৰাঙ্কন, কেতিয়াবা বৰ্ণনা, কেতিয়াবা ব্যাখ্যানৰ আশ্ৰয় লৈ লেখকে আমাক এটা বিশিষ্ট উপলব্ধি কৰোৱায়। এই ধাৰাত এসময়ত কেইবাজনেও ধাৰাবাহিকভাৱে লেখিছিল। কিন্তু এই ধাৰাৰ ৰচনা সোনকালেই লুপ্ত পালে।

আধুনিক অসমীয়া সাহিত্যৰ লগত পশ্চিমীয়া সাহিত্যৰ যোগাযোগ যেন ক্ষীণ হৈ আহিছে এনে ভাব হৈছে। আনকি পঞ্চাশ দশকলৈকে যি আগ্ৰহেৰে সমসাময়িক ইংৰাজী সাহিত্যৰ ধাৰৰ চৰ্চা হৈছিল, আজিৰ অসমীয়া সাহিত্যৰ সমালোচনাত তেনে নহয়। এতিয়া সাহিত্য আৰু সাহিত্যিকৰ সমুখত বিশেষকৈ তুলি ধৰা হৈছে সমাজবাদী ক্ৰান্তিৰ সমস্যা। উন্নয়নৰ আঁচনিৰ লগত সাহিত্য সৃষ্টিৰ সৃষ্টিশীল সম্পৰ্ক ৰক্ষা কৰাৰ কথাও কোৱা হৈছে। এনে সন্ধিক্ষণত সাহিত্যৰ মূলতত্ত্ব, নন্দনতাত্ত্বিক চেতনা আৰু সামগ্ৰিক সমাজতত্ত্বৰ ধাৰণা পৰিষ্কাৰভাৱে আয়ত্ত কৰাৰ সময় আহিছে।

যোৱা ডেৰশ বছৰৰ সাহিত্য-চিন্তা আৰু সাহিত্য-সৃষ্টিৰ অভিজ্ঞতা একপ্ৰকাৰে চালে নতুন বিশ্ববীক্ষাৰ অভিজ্ঞতা। য়ুৰোপীয় ৰেনেসাঁৰ মূল মন্ত্ৰ মানৱ-সৰ্বস্বতা অসমীয়া সাহিত্যৰ

---

* বেণুধৰ শৰ্মাৰ 'কংগ্ৰেছৰ কাচিয়লি ৰ'দত'খনক এই শাৰীত পেলাব পাৰেনেকি? এই গ্ৰন্থৰ নিৰ্দিষ্ট ৰূপ নাই। ই আত্মজীৱনীমূলক, কিন্তু চৰিত্ৰাঙ্কন আৰু ব্যাখ্যা আদিয়ে কাহিনীৰ সোৱাদো দিয়ে।

এতিয়া পৰম্পৰা ৰূপে গৃহীত হৈছে। এতিয়া এই পৰম্পৰা নতুন অভিজ্ঞতাৰ আলোকত সমৃদ্ধ কৰি নতুন ভাষাত ব্যক্ত কৰাৰ সময় আহিছে।

সমালোচনাৰ উদ্দেশ্য সৃষ্টিৰ মূল্যায়ন। সৃষ্টিতত্ত্ব ব্যাখ্যা, জীৱনৰ লগত লেখকৰ সৃষ্টিকৰ্মৰ মানসিক সম্পৰ্কগত ক্ৰিয়া-প্ৰক্ৰিয়া বিশ্লেষণৰ দ্বাৰা সৃষ্টিকৰ্মৰ ওপৰত আলোকপাত, আৰু পাঠ্য-বিষয়ৰ প্ৰকৃত সত্য উদ্ঘাটনত সাহায্য আদি সাৰ্থক সমালোচনাৰ ফলশ্ৰুতি। ই আমাক লেখক আৰু তেওঁৰ লেখাৰ চৰিত্ৰ আৰু কলা আদিৰ মনস্তত্ত্ব বুজাত সহায় কৰে। কবিতা বুজাত কেতিয়াবা 'আৰ্কিটাইপ' বা 'আৰ্কিটাইপেল পেৰ্টান'ৰ সূত্ৰ ধৰিলে উপকাৰ হয়। সেইদৰে অতিকথা আৰু আদিম মনৰ প্ৰকৃতিৰ জ্ঞানেও কোনো কোনো কবিতা বুজিবলৈ সহজ কৰে। এনে ধৰণৰ সমালোচনা আমাৰ কিমান আছে ,ভাবিবলগীয়া। সমাজতত্ত্বৰ প্ৰয়োগ অসমীয়া সমালোচনাত হৈছে আৰু চালুকীয়া মাৰ্ক্সীয় সমা-লোচনাক এনে ধাৰাত পেলাব পাৰি। ইয়াৰ উজ্জ্বল সম্ভাৱনা বৰ্তমান, কিয়নো লেখকৰ আৰু তেওঁৰ সৃষ্টিকৰ্মৰ সমাজতাত্ত্বিক ভেটি ই উদঙাই দৰ্শায় আৰু বিশেষ সাহিত্য ৰীতি উদ্ভাৱনৰ কাৰণো আমাক জনায়। কিন্তু সামগ্ৰিক সমাজতাত্ত্বিক বিচাৰ একমাত্ৰ সমালোচনা পদ্ধতি ৰূপে গৃহীত নহ'ব, কাৰণ নন্দনতাত্ত্বিক মূল্যা-য়নৰ ঘাই বিষয়টো এৰাই চলিব নোৱাৰি।

সাহিত্যৰ বুৰঞ্জী আৰু সমালোচনাই অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগত হোৱা উন্নতিৰ যি সংবাদ দিছে, তাক সকলোৱে জানে। প্ৰত্যেকজন লেখক আৰু প্ৰত্যেকটি সাহিত্য-কৰ্মৰ পুনৰ মূল্যায়ন কৰি প্ৰগতিৰ কথা বিচাৰ কৰাটো নতুন সমালোচনাৰ কাম। এই কামে সময় ল'ব। সাধাৰণভাৱে অসমীয়া সাহিত্যৰ উৎকৰ্ষৰ লেখ ল'লে দেখা যায়, গীতি-কবিতা, ব্যঙ্গ কবিতা, মুক্ত কবিতা, চুটি গল্প, উপন্যাস, নাটক, আত্মজীৱনী, আৰু আন আন ৰসাল গদ্য

ৰচনাৰ উদ্ভৱ অসমীয়া সাহিত্যৰ অভিনৱ ঘটনা। এই মানস সম্পদখিনিয়েই অসমীয়া আধুনিক সংস্কৃতিৰ ঘাই উপকৰণ। প্ৰাচীন সাহিত্য সম্পাদনা, সিবিলাকৰ পাঠ্যবস্তুৰ শুদ্ধাশুদ্ধ নিৰ্দ্ধাৰণ আৰু ৰস বিচাৰো পণ্ডিতসকলে কৰিছে। পুৰণি সাহিত্য ৰসাদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত আৰু আধ্যাত্মিক। আধুনিক সাহিত্য আনহাতে ত্ৰিশ দশকমানলৈকে সৌন্দৰ্য আৰু কল্যাণৰ আদৰ্শৰ দ্বাৰা ধাৰাবাহিকভাৱে প্ৰভাৱান্বিত হৈ আহিছিল। ত্ৰিশ দশকৰ পাছৰপৰা কল্যাণৰ আদৰ্শত সমাজবাদী বাস্তৱতাৰ চেতনা ক্ষীণভাৱে হ'লেও অনুভূত হয়। আনহাতে এই সময়ৰপৰাই আধুনিক আঙ্গিকৰ ক্ষেত্ৰত সলনিৰ সুৰ শুনা যায়।

হেম বৰুৱাৰ 'আধুনিক সাহিত্য'ত সন্নিবেশিত ৰচনাবোৰ ত্ৰিশ দশকতে প্ৰকাশিত হৈছিল। এই বিলাকত মাৰ্ক্স, ফ্ৰয়ড আৰু আন আন কিছু চিন্তাবিদৰ গুৰুত্বৰ কথাৰ উল্লেখ পোৱা যায়। ত্ৰিশ দশকৰপৰাও বিশেষকৈ দ্বিতীয় মহাসমৰৰ পৰা কবিতা আৰু কল্পনা সাহিত্যত এটা স্পষ্ট পৰিৱৰ্তন আহে। তথাপি সাধাৰণভাৱে চালে আমাৰ সাহিত্যই সম্পূৰ্ণৰূপে এক বিশেষ আদৰ্শ গ্ৰহণ কৰি নিশ্চিতভাৱে অগ্ৰসৰ হ'বলৈ চেষ্টা কৰিছে বুলি ক'ব নোৱাৰি।

আগ কালৰ কবিসকলৰ কবিতাত ৰহস্যময় সৌন্দৰ্য, স্বদেশপ্ৰেম, মানৱীয়তা, সাধাৰণ বস্তুৰ গুণ আৰু মহিমা প্ৰকাশ, আৰু প্ৰকৃতিপ্ৰীতি প্ৰকট; এইবোৰ ন শিক্ষিত অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ প্ৰয়োজনীয় আৰু প্ৰেয় আছিল। কবিসকলে সেইবোৰ ৰূপ দিয়াত পাঠকসকলে তাৰপৰা প্ৰেৰণা লাভ কৰিছিল, সমসাময়িক জীৱনৰ অভিব্যক্তি ৰূপে আৰু আঙ্গিকৰ অভিনৱত্বৰ বাবে এইবোৰ কবিতাৰ মূল্য আছিল। কিন্তু আগৰ কালৰ সকলো কবিতাই যে পিছৰ যুগৰ পাঠকসকলক তৃপ্তি দিব পাৰিছিল বা পাৰিব তাক ভাবিলে ৰুচি পৰিবৰ্তনৰ ঐতিহাসিক অভিজ্ঞতাক নুই কৰা হ'ব। এই কালছোৱাৰ বিষয়ে যজ্ঞেশ্বৰ শৰ্মাই কৈছে, "সাধুকথাৰ ফুল—

কোঁৱৰৰ দৰে পাশ্চাত্যৰ প্ৰভাৱৰ স্পৰ্শয়ো শুকান খৰিত পাত মেলাব পাৰিছে।...বিবিধ প্ৰভাৱৰ স্পৰ্শতো যেন অসমীয়া কবিৰ বীণত আপোন সুৰ বাজি উঠা নাই। ...অসমীয়া ভাষাত কাব্যৰ স্বাধীন প্ৰবাহৰ কাৰণে অসমীয়া জাতিয়ে অপেক্ষা কৰি আছে।" এই মন্তব্য ১৯৩৭ চনৰ। কিন্তু ১৯৩৭ চনৰ এই উপলব্ধি জোনাকী যুগৰ আৰম্ভণি কালতো প্ৰযোজ্য। তেতিয়া কবিয়ে কৈছিল, "নতুন প্ৰাণৰ ন চকুষুৰি দীপিতি ঢালি দে তাত; পুৰণি পৃথিৱী নকৈ চাই লওঁ, হে বীণ এষাৰি মাত";—এইবোৰে শুকান খৰিত পাত মেলা কথাকে বুজায়। হেমচন্দ্ৰ গোস্বামীৰ 'পুৰা' কবিতাটোও তাৎপৰ্য-পূৰ্ণ—"আকৌ ঘূমতি ত্যজি নিজম চেতনা লাহে লাহে সজাগ হৈছে; পাহৰা সুৰটি ঘূৰি বজাবৰ গুণে বীণখনি হাতত লৈছে।"

সকলো কবিৰ লেখ লোৱা যেনেকৈ ইয়াত অসম্ভৱ, প্ৰতিনিধি-মূলক কবিসকলৰ কবিতাৰ সম্যক আৰু সৰ্বসন্মত ৰস-বিচাৰ কৰাও টান গীতি কবিতাই কবিসকলৰ সদ্যমুক্ত প্ৰাণৰ আবেগ আৰু অনুভূতিৰ স্বাক্ষৰ বহন কৰিছে। জোনাকী যুগত নিৰ্দিষ্ট বিষয়-বস্তু আৰু ৰসৰ বন্ধনৰ পৰা কল্পনাই মুক্তি পাইছিল। স্বদেশ-প্ৰেম, মানুহত আস্থা আৰু নতুনকৈ অহা উদাৰনৈতিক দৰ্শন এইবিলাকে কবিসকলৰ সৃষ্টিৰ প্ৰেৰণা দিছিল। লগে লগে অতীত পৰম্পৰাৰ আধ্যাত্মিক প্ৰভাৱকো তেওঁলোকে সগৌৰৱেৰে গ্ৰহণ কৰিছিল। তেওঁলোকে পৰম্পৰাগত দৰ্শন মৌলিকভাৱে সলাবৰ প্ৰয়োজন হয়তো কৰা নাছিল, তাক ন পৰম্পৰাৰ লগত মিলাই একপ্ৰকাৰ সংস্কৃত অদ্বৈত দৰ্শনত বিশ্বাস কৰিছিল যেন লাগে; চন্দ্ৰকুমাৰে যেতিয়া 'মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ সত্য হক প্ৰতিভাত' বুলি কয়, তেতিয়া গূঢ় ৰহস্যৰ অৱস্থানৰো স্বীকৃতি দিয়ে। দুৰ্গেশ্বৰ শৰ্মাই কৈছে—

"আমি মাটিৰ পুতলা নাচিব লাগিছোঁ
কোনে নচায় নৈজানো
আমি কাৰোবাৰ বাঁহী বাজিব লাগিছোঁ
কোনে বজায় নেজানো।"

বিনন্দ বৰুৱাৰ 'গড়গাঁও', লক্ষ্মীনাথ ফুকনৰ 'ব্ৰহ্মপুত্ৰৰ প্ৰতি', দেৱকান্ত বৰুৱাৰ 'প্ৰেমৰ কবিতা' এইবোৰত এই ৰহস্যবাদী বিশ্ব-দৃষ্টিৰ অভাৱ। এইসকল কবিৰ ভিতৰত ইতিহাস-সন্মত আৰু মনোবিজ্ঞান-সন্মত মানৱতা গ্ৰহণৰ চেষ্টা কিছু দূৰ দেৱকান্তৰ মাজতে প্ৰকট। "তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱী এয়া, মৃত্যু তাৰ সীমা।" যতীন দুৱৰাৰো ওমৰৰ মোহৰ উৎস মানবীয় দৰ্শনৰ মোহ যেনেই লাগে।

ত্ৰিশ আৰু চল্লিশ দশকত কবিতাৰ বিষয়-বস্তু আৰু ছন্দৰ পৰিবৰ্তনবোৰৰ কাৰণ এতিয়াও অনুসন্ধানৰ বিষয়। অৱশ্যে পৰীক্ষা-কাৰী কবি আৰু সমালোচকসকলে পৰিবৰ্তনৰ প্ৰয়োজনীয়তা, স্বাভাৱিকতা আৰু সম্ভাৱ্য উৎস সম্পৰ্কে কিছু কথা কৈছে। এইবিলাক মন দি চালে দেখা যায় পৰিবৰ্তনৰ উৎস সামাজিক ৰূপান্তৰৰ আগ্ৰহ আৰু আধুনিক জ্ঞানৰ পোনপটীয়া বা আওপকীয়া প্ৰভাৱত মুকুলিত হোৱা আত্ম-জ্ঞান বা চেতনা। আগৰ কবিতাৰ আধ্যাত্মিক দৰ্শনত সংশয় আৰু নব্যধৰ্ম-গন্ধী মানবীয়তাৰ সীমা-বদ্ধতাত অসন্তুষ্টি প্ৰকাশৰ এটি নেতিবাচক ধাৰাও অমিল প্ৰবাহমান মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ (?) কবিতাবোৰত ধ্বনিত হোৱা শুনা যায়। নন্দনতাত্ত্বিক চেতনা আটাইবোৰ কবিৰে সমান নহয়; তদুপৰি সকলোৰেই সমানে পৰিবৰ্তনৰ প্ৰয়োজনো অনুভৱ কৰা নাছিল। লগতে কবিতা লেখা সকলোৰেই যে কবিত্ব শক্তিৰ অধিকাৰী তাকো ক'ব নোৱাৰি।

বিভিন্ন আলোচকে অসমীয়া আধুনিক কবিতাই জনতাৰ-নিৰ্জনতাৰ, প্ৰগতিশীল-প্ৰতিক্ৰিয়াশীল ভাৱৰ অথবা নন্দনতাত্ত্বিক গুণ আৰু তাৰ অভাৱৰ দ্বন্দ্বাত্মক গতিৰ মাজেদি বিকশিত হোৱাৰ কথা কৈছে। এইবিলাকে আলোচকসকলৰ নিৰ্দিষ্ট সাহিত্য চিন্তাৰহে পৰিচয় দিয়ে। মাৰ্ক্সীয় বা অমাৰ্ক্সীয় সমাজতত্ত্বৰ দৃষ্টিৰে কবিতা বিভাগ কৰাৰ ধাৰাবোৰৰ যৌক্তিকতা সদায় প্ৰতিপন্ন

নহয় দুটা কাৰণত—(১) প্ৰথম কথা অতি সচেতন কবিসকলেও নিম্নমধ্যবিত্ত বিপ্লৱীতকৈ অধিক গভীৰ সাৰুৱা সামাজিক পৰিবৰ্তনৰ অভিজ্ঞতা লাভ কৰা নাই। তদুপৰি সচেতন বনুৱাশ্ৰেণীৰ কবি ওলোৱা নাই; বিভিন্ন কবিৰ কবিতাত সামাজিক চেতনাৰ তীব্ৰতাৰ তাৰতম্য আছে, কিন্তু শ্ৰেণীগত সীমাবদ্ধতা সকলোৰে থাকি গ'ল। (২) নন্দনতাত্ত্বিক বা কাব্যৰসমূলক দৃষ্টিবপৰা কৰা মূল্যায়নত এই কবিসকলৰ কবিতা সদায় সফল বুলি বিবেচিত নহয়। আধুনিক সামাজিক কবিতাৰ বিকাশ নোহোৱাৰ প্ৰধান কাৰণ এই কেইটাই। এই কবিসকলৰ কবিতাৰ ঐতিহাসিক মূল্য এটি তথাপি থাকি যাব। অদূৰ ভৱিষ্যতে এই দুটি অভাৱ যেতিয়া গুচিব, তেতিয়া সামাজিক কবিতাৰ এটা প্ৰসিদ্ধি বা উত্তম পৰম্পৰা ৰূপেই গৃহীত হ'ব। ৰুছ বিপ্লৱৰ আগত ৰুছ সাহিত্যত যি বৈপ্লৱিক প্ৰভাৱ অনুভূত হৈছিল, সি ৰুছ সাহিত্যিকসকলক তিনিটি ধাৰাত বিভক্ত কৰিছিল: এলেক্সজেণ্ডাৰ ব্লকে প্ৰতীকী কবিতাৰ যোগেদি, মায়াকভস্কিয়ে কবিতাক ৰাজপথলৈ নি আৰু টলষ্টয়ে কলা সৰল কৰি খেতিয়কৰ বোধগম্য কৰি তুলি বৃহত্তৰ জনসত্তাৰ নৱজাগৰণ আনিব বিচাৰিছিল। অসমীয়া সমাজ সচেতন কবিসকলৰ জীৱন-অন্বেষাৰ আৰম্ভ হৈছেহে; আশা কৰা যায় ই লাহে লাহে সফলতাৰ পথত আগবাঢ়িব।

নন্দনতাত্ত্বিক দৃষ্টি বুলিলে যে এক অখণ্ড নিটোল তুলাচনীক বুজায় এনে নহয়। উদাহৰণ স্বৰূপে সাৱধানী আৰু নিষ্ঠাবান বঙালী কবি সুধীন্দ্ৰ নাথ দত্তই কৈছিল, "মাৰ্লামে প্ৰৱৰ্তিত কাব্যাদৰ্শই আমাৰ অন্বিষ্ট। আমিও মানিম যে কবিতাৰ মুখ্য উপাদান শব্দ; এবং উপস্থিত ৰচনাসমূহ শব্দ প্ৰয়োগেৰ পৰীক্ষা ৰূপেই বিবেচ্য।" আনহাতে অমিয় চক্ৰৱৰ্তীয়ে Sprung rhythm ৰ ধ্বজা লৈ আধুনিকতাৰ জগতত প্ৰৱেশ কৰিছিল। কবিতাৰ কোনো এটা বিশেষ গুণক ভেটি কৰিও নন্দনতাত্ত্বিক দৃষ্টি একোটিয়ে গঢ়

লয়। আনহাতে নন্দনতাত্ত্বিকভাৱে সফল সাহিত্যতো অসাহিত্যিক বা প্ৰতিক্ৰিয়াশীল উপাদান থাকে। ইংৰাজী সাহিত্যত এনে বহু অনন্দনতাত্ত্বিক উপাদানৰ প্ৰভাৱ অনুভৱ কৰা যায় যিবোৰৰ প্ৰকৃতি প্ৰতিক্ৰিয়াশীল; কিন্তু তথাপি দেখা যায় প্ৰতিক্ৰিয়াশীল ৰাজনীতিত বিশ্বাস কৰা সত্ত্বেও ইলিয়ট আৰু পাউণ্ডক তাত ন ৰীতিৰ প্ৰৱৰ্তকৰ সন্মান নিদিয়াকৈ থকা নাই। মানস চিত্ৰবাদৰ নন্দনতত্ত্বৰো ৰোমাণ্টিকতা-বিৰোধী চেহেৰা ভ্ৰমাত্মক, কিয়নো মানসচিত্ৰৰ সংজ্ঞাটোৱেই হেনো এজন ৰোমাণ্টিক দাৰ্শনিকৰহে। ( An image is that which presents an intellectual and emotional complex in an instant of time ) এই মতে কবিতা অপূৰ্ব, কট্‌কটীয়া, ফৰ্‌ফৰীয়া, ফট্‌ফটীয়াকৈ ব্যক্ত আৰু স্থান-কালৰ প্ৰবাহৰপৰা বিচ্যুত বস্তু। কিন্তু কবিতা কি এই প্ৰশ্নটোৰ উত্তৰ সহজে দিব নোৱাৰি। কেইবাজনো অসমীয়া কবিয়ে ভাবে কবিতা অন্তৰতমৰ দান, বাহিৰৰ দান নহয়। কিছুমানৰ কবিতা পঢ়িলে বা শুনিলে ধাৰণা হয় কবিতা সঙ্গীত গুণধৰ্মী। কিছুমানে ভাবৰ বা বক্তব্যৰ বাবেও কবিতা লেখে। এনেবোৰ বেমেজালি আৰু বিভিন্ন সংজ্ঞাৰ মোহ থকা সত্ত্বেও বা সম্পূৰ্ণৰূপে নিটোল নন্দনতত্ত্ব এটা দিব নোৱাৰিলেও সহৃদয় পাঠকসকলে ভাল কবিতাক বেয়া কবিতাৰপৰা নিলগাই চাব পাৰে। সহৃদয় পাঠকসকলৰ এই শুভ বুদ্ধি নানা কাৰণত কেতিয়াবা কেতিয়াবা মোহ-গ্ৰস্ত বা আচ্ছন্ন হ'লেও, তেওঁলোকৰ শুভ-বুদ্ধিত আস্থা ৰখা প্ৰয়োজন।

আধুনিক অসমীয়া সাহিত্যত দুটা প্ৰৱণতা স্পষ্ট। এটাই সাহিত্যক সমাজৰ প্ৰগতিৰ বা ৰূপান্তৰৰ সহায়ক কৰিবলৈ বিচাৰে। আনটোৱে নন্দনতাত্ত্বিক মূল্যৰ ওপৰত অধিক জোৰ দিয়ে। বাস্তৱত সাহিত্যক এনেবোৰ প্ৰৱণতাৰ ভেটিত ভাগ কৰাটো টান কাম। সাহিত্য কি এই প্ৰশ্নৰ উত্তৰ কিভাৱে দিয়া হয়, তাৰ ওপৰতে

ঘাইকৈ মূল্য নিৰ্ণয় কৰিব পাৰি। যিসকল অসমীয়া সাহিত্যিকে সামাজিক প্ৰৱণতাৰ ওপৰত জোৰ দিয়ে, সেইসকলৰ সাহিত্য সদায় নন্দনতাত্ত্বিক মূল্যবৰ্জিত এনে নহয়। অৱশ্যে তেওঁলোকে সূচনা কৰা প্ৰৱণতাৰ পূৰ্ণতা প্ৰাপ্তি ঘটা নাই।

নন্দনতাত্ত্বিক দৃষ্টিভঙ্গী বুলিলে বিভিন্ন সাহিত্য আৰু আলোচকে বিভিন্ন মত দাঙি ধৰে। নিম্নতম অখণ্ড মত এটা গ্ৰহণ কৰাৰ বাবে চেষ্টা কৰিলেও, এই চেষ্টা এতিয়ালৈকে সফল হোৱা নাই। বিভিন্ন কাব্যসংগ্ৰহবোৰত ৰুচিৰ বিভিন্নতা আৰু দৃষ্টিভঙ্গীৰ বিভিন্নতা লক্ষ্য কৰিবলগীয়া। অকল ছবি বা ধ্বনিৰ প্ৰাধান্যৰ ভেটিত কবিতা ভগোৱা টান; সেইদৰে ছন্দস্পন্দৰ অভিনৱতা বা শব্দ ভাস্কৰ্যৰ ভেটিত কবিতাৰ সংজ্ঞা দিয়াও টান। আঙ্গিকৰ বিশুদ্ধতা বা সৌকৰ্যই যথেষ্ট নহয়, অনুভূতি আৰু উপলব্ধিৰ সংবেদনশীলতা আৰু মহত্ত্বও আৱশ্যক। আধুনিক অসমীয়া কবিতাত সাৰ্থক আৰু অসাৰ্থক সৃষ্টিৰ প্ৰশ্নটোও সম্প্ৰতি উঠিছে।

এইবিলাক সূক্ষ্মবিচাৰৰ ফলাফল পোৱালৈ বেলি হ'ব। কিন্তু এটা কথা ঠিক। চল্লিশ দশক আৰু পঞ্চাশ দশকৰ কবিতাত আৰু সাহিত্যত আঙ্গিকৰ নব্যৰীতি প্ৰৱৰ্তনৰ চেষ্টা সুস্পষ্ট। খুব কম কবিয়েইহে বঙ্গদেশৰ আধুনিক বঙ্গদেশীয় কবিসকলৰ দৰে ছন্দৰ ৰূপ বা বৈচিত্ৰ্য অনুসৰণ কৰিছিল। সফল কবিসকলৰ সৰহ ভাগেই ইমূৰীয়া বা সিমূৰীয়া হ'বলৈ নগৈ মধ্যম পথ অৱলম্বন কৰি চলি আহিছে। এই দৃষ্টিভঙ্গীৰে চালে আধুনিক অসমীয়া কবিতাত থলবিশেষে নিটোল আঙ্গিকৰ অভাৱ যেন লাগিলেও বৈচিত্ৰ্য আৰু মনৰ বন্ধন-মুক্তিৰ লক্ষণ স্পষ্ট। এটা শাখাই চিত্ৰকল্প প্ৰধান কবিতাৰ পোষকতা কৰিছে। সুকুমাৰ সৌন্দৰ্যৰ বাবে জনদিয়েক কবি বিশেষভাৱে সচেতন। আন কিছু কবিয়ে আঙ্গিকৰ বৈচিত্ৰ্য আৰু মাজ্জিত ৰুচিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এওঁলোকে ভাৱপ্ৰধান ব্যাখ্যান বা বক্তব্যকো কবিতাৰ অঙ্গীভূত কৰি

ৰাখিবলৈ মন কৰে। অদূৰ ভৱিষ্যতে অসমীয়া কবিতাই আৰু এক পৰিবৰ্তনৰ সন্মুখীন হোৱাৰ সম্ভাৱনা। কিন্তু ই কোন দিশে গতি কৰে সিহে লক্ষ্য কৰিবলগীয়া বিষয়। কিছু সমালোচকে আধুনিক কবিতাৰ সঞ্চয়ন কৰোতে কেতিয়াবা কেইটামান ৰসোত্তীৰ্ণ কবিতাও নাপায়, আনহাতে কোনো সংকলনত উদাৰভাৱে ভালেমান কবিতাক সাৰ্থক পৰ্যায়ত পেলোৱা দেখা যায়। সমালোচনাৰ বিকাশ হোৱাৰ লগে লগে ৰসবিচাৰ আৰু সূক্ষ্ম হ'ব। ঐতিহাসিক দৃষ্টিৰে চালে অসমীয়া কবিতাৰ বিভিন্ন ঋতু পৰিবৰ্তনৰ মাজতো এটা কথা চকুত পৰে। ই সমুখৰ ফালে আগবাঢ়ি গৈছে। কবিতাৰ আটাইতকৈ ডাঙৰ এটি সমস্যা হৈছে পাঠকৰ সমস্যা। শব্দৰ একান্ত ব্যক্তিগত ব্যৱহাৰ আধুনিক কবিতাৰ সামাজিক সংবেদনশীলতাৰ কেতিয়াবা প্ৰতিবন্ধক হৈ পৰে। প্ৰতীক, চিত্ৰকল্প, আৰু আৰ্কিটাইপ আদি মূলত সামাজিক। কিন্তু মধ্যবিত্ত শ্ৰেণীৰ অভিজ্ঞতাৰ সংকীৰ্ণতা আৰু বিছিন্ন ব্যক্তি মানসৰ ছাপত এইবোৰ এনে এক বৌদ্ধিক আনুভূতিক ৰূপত প্ৰতিভাত হৈছে, যে কেতিয়াবা বিশুদ্ধ আঙ্গিকত প্ৰকাশ পালেও ৰস আৰু তাৰ অৱলম্বনৰ বিষয় সাৰ্বজনীন ৰূপত ফুটি নুঠি বিছিন্ন বিৰল ৰূপতহে ফুটি উঠে। আধুনিক সমাজত মানুহৰ বিছিন্নতা (বা অন্বনয়তাৰ) সমস্যাৰ কাব্যিক সমাধান আছে নে নাই ক'ব নোৱাৰো, কিন্তু সামাজিক বিপ্লৱৰ যোগেদি এই অন্বনয়তাৰ সমাধান মানবীয় স্তৰত হ'ক বুলি ভালেমান চিন্তাবিদে আশা কৰে। তেতিয়া হয়তো কবিয়ে শব্দ, প্ৰতীক আৰু আৰ্কিটাইপৰ সামাজিক ব্যঞ্জনা ঘূৰাই পাব।

প্ৰবন্ধ সংবাদ-সাহিত্যৰ দান। খুব কম প্ৰবন্ধ ৰস-সাহিত্যৰ অন্তৰ্ভুক্ত কৰিব পাৰি, কাৰণ এইটো ঘাইকৈ সংবাদ, তথ্য আৰু জ্ঞান-জ্ঞাপনৰ মাধ্যম। অসমীয়া সমাজ যিমানে শিক্ষিত আৰু উন্নত হৈছে, সিমানে বিভিন্ন প্ৰকাৰৰ আলোচনী, সংবাদ-পত্ৰ আৰু গ্ৰন্থ প্ৰকাশ হৈছে। পদাৰ্থবিজ্ঞানৰপৰা আৰম্ভ কৰি মনোবিজ্ঞানলৈকে, গৱেষণা

গৱেষণা গ্ৰন্থৰপৰা আৰম্ভ কৰি সৰু ল'ৰাৰ পুথিলৈকে বিবিধ প্ৰবন্ধ আমাৰ ভাষাত প্ৰকাশ হৈছে। কিন্তু মৌলিক গ্ৰন্থ খুব কম। শৈলী আৰু বিষয় বস্তু উভয় দিশৰপৰা উপাদেয় মৌলিক গ্ৰন্থৰ ভিতৰত বেণুধৰ শৰ্মাৰ 'মণিৰাম দেৱান' আৰু কোনো কলা-ৰূপতে পেলাব নোৱাৰা একজাতীয় 'কংগ্ৰেছৰ কাঁচিয়লি ৰদত' বিশেষভাৱে উল্লেখযোগ্য। মনোৰঞ্জন শাস্ত্ৰীৰ 'বৈষ্ণৱ ধৰ্মৰ ৰূপৰেখা', বিৰিঞ্চি বৰুৱাৰ 'অসমৰ লোক সংস্কৃতি', মহেশ্বৰ নেওগৰ 'অসমীয়া গীতি সাহিত্য', প্ৰফুল্ল দত্ত গোস্বামীৰ 'অসমীয়া জন সাহিত্য', ত্ৰৈলোক্য গোস্বামীৰ 'সাহিত্য-সমালোচনা', ৰাধানাথ ফুকনৰ 'বিজ্ঞানৰ সিপাৰে', ভবানন্দ দত্তৰ 'দৃষ্টি আৰু দৰ্শন', মহেন্দ্ৰ বৰাৰ 'অসমীয়া ছন্দ শিল্পৰ ভুমিকা', শৰৎ গোস্বামীৰ 'ছক্ৰেটীছ আৰু প্লেটো', সত্যেন্দ্ৰ নাথ শৰ্মাৰ অসমীয়া নাট্য আৰু উপন্যাস সাহিত্য সম্পৰ্কে ৰচনা কৰা গ্ৰন্থকেইখন, তীৰ্থনাথ শৰ্মাৰ 'পঞ্চপুষ্প', উপেন্দ্ৰ নাথ গোস্বামীৰ 'ভাষা আৰু সাহিত্য', হীৰেণ গোহাঁইৰ 'সাহিত্যত, সত্য' আৰু ভবেন বৰুৱাৰ 'অসমীয়া ভাষা-প্ৰসঙ্গত' আদি বিবিধ দৃষ্টিভঙ্গীৰ প্ৰবন্ধ সাহিত্য স্বাধীনতাৰ পিছত প্ৰকাশিত হোৱা অসংখ্য গ্ৰন্থৰ চানেকি স্বৰূপ।

উপন্যাস, চুটি গল্প আৰু নাটক আধুনিক অসমীয়া সাহিত্যৰ উল্লেখযোগ্য সম্ভাৰ। পশ্চিমীয়া আহিত এইবোৰে শতিকাৰ আগৰ চাৰি দশকৰ কালছোৱাতে গঢ় লয়। এই শতিকাৰ আগ ভাগত বিশেষকৈ জাতীয় জাগৰণৰ প্ৰভাৱত এইবিলাক ক্ৰমে বিকশিত হ'বলৈ ধৰে। ঐতিহাসিক নাটক আৰু উপন্যাসৰ প্ৰাৰম্ভিক পৰ্য্যায় পাৰ হৈ নাটক আৰু উপন্যাসে লাহে লাহে অসমীয়া সামাজিক জীৱনৰ প্ৰতিফলন কৰিবলৈ লয়। হাস্যৰসাত্মক নাটকবোৰ উচ্চ পৰ্যায়ৰ নহ'লেও এইবোৰত সামাজিক জীৱনৰ দ্বন্দ্ব আৰু স্ববিৰোধবোৰ ক্ষীণভাৱে হ'লেও প্ৰতিফলিত হয়। দেশপ্ৰেম উদ্ৰেক কৰাতো কিছু নাটকে সাহায্য কৰে। পঞ্চাশ দশক মানৰপৰা বিকশিত হৈ অহা সামাজিক নাটকবোৰত সৰল সামাজিক চিত্ৰৰপৰা ৰূপক

আৰু মনস্তাত্ত্বিকভাৱে জটিল কাহিনীও পোৱা যায়। স্থায়ী মঞ্চৰ অভাৱৰ বাবে নাটকৰ দ্রুত বিকাশ ঘটা নাই, কিন্তু সম্প্রতি ৰেডিঅ আৰু অন্যান্য নাটকবোৰত আঙ্গিকৰ বিবিধ পৰীক্ষা আৰু বিবিধ আদৰ্শৰ প্রেৰণা অনুভৱ কৰা যায়। অসমীয়া নাটকৰ শিল্পী-সকলেই বোলছবিৰো আৰম্ভণি কৰে। 'জয়মতী'ৰ দিনৰেপৰা ইয়াৰ চমু ইতিহাস অনুধাৱন কৰিলে দেখা যায়, অসমৰ এভাগ ছবিয়ে কলাগত বিকাশৰ ফালে গতি নকৰি, 'বক্স অফিচত'হে চিত্ত আৰোপ কৰিছে। কলা হিচাপে বোলছবিক বিকাশ কৰি মহৎ সামাজিক মূল্যবোধৰ বাহক কৰিবলৈ যত্ন কৰা সাধাৰণতে দেখা পোৱা নাযায়। সাহিত্যৰ লগত নাটক আৰু বোলছবিৰ বিচ্ছেদ ঘটিছে।

উপন্যাসৰ দ্রুত বিকাশ ঘটে স্বাধীনতাৰ কালছোৱাত। আগৰ উপন্যাসবোৰক সৎ প্রচেষ্টা বোলাই ভাল। পনীয়া ৰোমাণ্টিক পৰি বেশত উঠিব লগা হোৱা বাবে আমাৰ আধুনিক উপন্যাসবোৰত ভাৱ-প্রৱণতা আৰু সাধাৰণ গাল্পিকতাৰ উপাদানবোৰ ৰৈ গৈছে। অৱশ্যে সামাজিক বাস্তৱতাৰ অন্বেষণ কৰিবলৈ লোৱাটো এটা শুভ লক্ষণ। লেখকসকলে মৌলিক কলাগত প্রয়োজনত অনুপ্রাণিত হৈ বিবিধ পৰীক্ষা চলালে এই ধাৰাটো ক্রমাৎ পুৰঠ হৈ পৰিব বুলি আশা কৰা যায়। আন কোনো বিশেষ ধাৰা সজীৱ হৈ উঠা আমাৰ সাহিত্যত দেখা পোৱা নাযায়। চুটি গল্পৰ বিকাশ ত্রিশ দশকৰপৰাই দ্রুত হয়; মনস্তাত্ত্বিক অন্তর্দৃষ্টিৰে চৰিত্রাঙ্কন আৰু নিপুণ, খণ্ড আৰু নাটকীয় সামাজিক চিত্রৰ ৰূপায়ন সাৰ্থক চুটি গল্পবোৰৰ সুলক্ষণ। যোৱা চাৰি দশকত চুটি গল্প আৰু উপন্যাসৰ দ্রুত প্রসাৰ ঘটিছে। কলাগত উৎকৰ্ষ সাধন আৰু গণ্ডীৰ বাহিৰত মানুহৰ বহল আৰু প্রকৃত জীৱন অন্বেষণৰ গতি অব্যাহত ৰাখিলে এই দুয়োটা শাখাই অসমীয়া সাহিত্যৰগু ণগত বিকাশ সাধিব পাৰিব।

প্রায় সকলোবোৰ সাহিত্য সমালোচকেই অনুভৱ কৰে যে অসমীয়া সাহিত্যৰ বিভিন্ন শাখাত আশানুৰূপ বিকাশ আৰু গুণগত

উৎকৰ্ষ সাধন হোৱা নাই। ইংৰাজী সাহিত্য-সমালোচনাৰ আদৰ্শ নিষ্ঠাৰে অনুশীলন কৰা আলোচকসকলে অথবা অন্যান্য সাহিত্যাদৰ্শৰ অনুৰাগী লোকসকলে অসমীয়া সাহিত্যৰ বিকাশৰ বাট কেনে হ'ব লাগে সেই বিষয়ে কিছু মত ব্যক্ত কৰিছে। তেওঁলোক সাহিত্যৰ ক্ষীণ বিকাশত অসন্তুষ্ট। সৎ পাঠকসকলেও একে অভিযোগকে কৰে।

অৱশ্যে আমাৰ সাহিত্যৰ সমালোচকসকলৰ হতাশা তীব্ৰ নহয়। তেওঁলোকো আশাবাদী যেন বোধ হয়। অসমীয়া সাহিত্যত সৃষ্টিৰ সৎ প্ৰেৰণাৰ প্ৰবাহ বলি আছে। বাস্তৱতাৰ সন্মুখীন হৈ, সংকীৰ্ণ জীৱনগণ্ডীৰপৰা ওলাই, সৎ কলা-অনুশীলন কৰি সৃষ্টিত প্ৰবৃত্ত হ'লে বৰ্তমান লেখকসকলেই অসমীয়া সাহিত্যৰ বাবে মহৎ উৎকৰ্ষৰ পথ আৱিষ্কাৰ কৰিব পাৰিব। ইতিমধ্যে তেওঁলোকে কিছু আত্মবিশ্বাস লাভ কৰিছে। এই পথ অন্বেষণত সাহায্য কৰা সমালোচক বা আলোচক অসমীয়া সাহিত্যত কম। অসমীয়া সমালোচকে অসমীয়া সাহিত্যৰ বৰ্তমান ঐতিহাসিক স্তৰৰ স্বৰূপ সঠিক ৰূপত উপলব্ধি আৰু বিভিন্ন সমালোচনাৰ মূলনীতিবোৰৰ সাৰ্থক প্ৰয়োগ কৰি বৰ্তমান অৱস্থাত সহিত্যৰ গতি নিৰ্দেশ কৰিব পাৰিব লাগিব। এইটো তেওঁৰ বিশেষ গুণ হ'ব লাগিব।

অসমীয়া সাহিত্যত আন আন উপশাখা আছে। কিন্তু এইবোৰৰ উল্লেখ ইয়াত অপ্ৰয়োজনীয়। দৰ্শন, বিজ্ঞান আৰু ইতিহাস আদি ৰস-সাহিত্যৰ বাহিৰৰ গদ্য-সাহিত্যত আমাৰ উন্নতি হৈছে বুলি কোৱা টান। অন্ততঃ মৌলিক গ্ৰন্থ সৰহ নাই বুলিলেই হয়। চিন্তাৰ দৈন্যই ইয়াৰ কাৰণ। অনুবাদৰ যোগেদিও আমাৰ অভাৱ কিছু পূৰাব পৰা যায়। কিন্তু ইয়াতো আমাৰ অগ্ৰগতি অপৰিকল্পিত আৰু উল্লেখযোগ্য নহয়।

# পঞ্চম অধ্যায়

## সাংবাদিকতা

ভাৰতীয় সাংবাদিকতাৰ বিকাশৰ দ্বিতীয় পৰ্যায়তহে অসমৰ প্ৰথম কাকত 'অৰুনোদইৰ' জন্ম হয়। ডিম্বেশ্বৰ নেওগে লেখিছে, "উপন্যাস, চুটি সাধু আদিৰ দৰে আলোচনী কাকতো ভাৰতীয় তথা অসমীয়া সাহিত্যলৈ বিদেশী আমদানি আৰু বিশিষ্ট অৱদান।" আওৰেংজেৱৰ ৰাজ-বিষয়াসকল আৰু সেনাবাহিনীৰ মাজত হাতেলেখা এবিধ খবৰ-কাকতৰ প্ৰচলন আছিল বুলি ঐতিহাসিক সকলে কয়; কিন্তু এইবোৰক আধুনিক অৰ্থত বাতৰি কাকত বোলা অযুগুত। আধুনিক ভাৰতীয় বাতৰি কাকতে এই মধ্যযুগীয়া খবৰ-কাকতবোৰৰপৰা কিবা প্ৰেৰণা পাইছিল বুলিও ক'ব নোৱাৰি।

বঙালী ভাষাত আলোচনী ওলোৱাৰ প্ৰায় ডেৰকুৰি বছৰৰ পাছতহে অসমীয়াত 'অৰুনোদই' ওলায়। অৰুনোদই কাকতে ভাষাৰ আধুনিক গঢ় আৰু বিবিধ ভাবৰ প্ৰচলন কৰাৰ উপৰিও জনদিয়েক ইংৰাজী শিক্ষিত গুণী লেখক উলিয়ালে। এই কাকত প্ৰায় ১৮৮২ চন মানলৈকে চলে। অৰুনোদইয়ে অসমীয়া সাংবাদিকতাৰ ইতিহাসত ইংলণ্ডৰ ক'ৰেণ্ট কাকতৰ দৰে নৱজাতকৰ সন্মান পাইছে। অসমীয়া ভাষাৰ প্ৰথম সাপ্তাহিক হ'ল চিদানন্দ দাসৰ দ্বাৰা সম্পাদিত 'আসাম মিহিৰ' (১৮৭২)। কিন্তু পিছ বছৰতে কাকতখন ওলাবলৈ এৰে।

উনবিংশ শতিকাৰ শেষছোৱাত ভালেমান কাকত ওলাই মৰে। তাৰ ভিতৰত উল্লেখযোগ্য কাকত চাৰিখন। হেমচন্দ্ৰ বৰুৱাৰ 'আসাম নিউজ', গুণাভিৰামৰ 'আসাম বন্ধু' (১৮৮৫), চন্দ্ৰকুমাৰ-বেজবৰুৱা-হেম গোস্বামীৰ সম্পাদনাত ওলোৱা 'জোনাকী' (১৮৮৯),